৪২২৯/লা: প্র:
২২.৪.৯৯

# JNANODAYA.

## A PROSE READER IN ASSAMESE.

3411

FOR

THE LOWER PRIMARY SCHOOL

BY LATE

LAMBODAR BARA, B. A. B. L.

# জ্ঞানোদয়।

( তলৰ পঢ়াশালিৰ নিমিত্তে )

৺লম্বোদৰ বৰা বি, এ, বি, এল,ৰ

দ্বাৰাই লিখা।

১১শ তাঙ্কৰণ।

আসাম ভোলাগুৰী টীঃ ইঃ নিবাসী

শ্ৰীখগেশ্বৰ আগৰৱালাৰ দ্বাৰা প্ৰকাশিত।

১৮৪৮ শঁক—ইং ১৯২৬।

বেচ ।৶৹ ছয় অনা মাথোন।

৪২২৯/লাঃস্থঃ
২২.৪.৯৯

# JNANODAYA.

## A PROSE READER IN ASSAMESE.

FOR

THE LOWER PRIMARY SCHOOL

BY LATE

LAMBODAR BARA, B. A. B. L.

# জ্ঞানোদয়।

( তলৰ পঢ়াশালিৰ নিমিত্তে )

৺লম্বোদৰ বৰা বি, এ, বি, এল,ৰ

দ্বাৰাই লিখা।

১১শ তাঙ্গৰণ।

আসাম ভোলাগুৰী টীঃ ইঃ নিবাসী

শ্ৰীখগেশ্বৰ আগৰৱালাৰ দ্বাৰা প্ৰকাশিত।

১৮৪৮ শঁক—ইং ১৯২৬।

বেচ ।৵০ ছয় অনা মাথোন।

৪২২২নৈ/অ:

~~১০৬৯নৈ/অ:~~

সাম্য-প্রেছ,
৬নং কলেজ স্কোৱাৰ, কলিকতা,
শ্ৰীউপেন্দ্ৰনাথ দাসৰ দ্বাৰা মুদ্ৰিত।

# OPINION OF THE VERNACULAR TEXT-BOOK COMMITTEE AT NOWGONG.

—:o:—

"Resolved that the book may be used as a text book for the Lower Primary Scholarship Examination, provided the author excludes the lessons Nos. 2, 12, 14, 15, 16, 18 and 19, as they are not likely to benefit the pathshala boys. The author may insert simple scientific lessons in their place and resubmit the book to the Committee for examination."

পুথি বচা সভাই এৰিবলৈ কোৱা পাঠ কেইটি এই পুথিৰ পৰা বাদ দিয়া গল।

# সূচনী।


| | | |
|---|---|---|
| ১। | সিংহ আৰু নিগনিৰ কথা ... ... ... | ১ |
| ২। | কাণী বুঢ়ী আৰু বেজৰ কথা ... ... | ৩ |
| ৩। | এটা বুধিয়ক কাউৰিৰ কথা ... ... | ৪ |
| ৪। | শিয়াল ৰজা হোৱাৰ কথা ... ... | ৫ |
| ৫। | 'তাত সংশয় নাই' ... ... ... | ৭ |
| ৬। | নীতি কথা ... ... ... ... | ৯ |
| ৭। | পিতৃমাতৃ ... ... ... ... | ১৩ |
| ৮। | সন্তানৰ কৰ্ত্তব্য কাম ... ... ... | ১৫ |
| ৯। | ডুবাল ... ... ... ... | ১৮ |
| ১০। | দয়া ... ... ... ... | ২৫ |
| ১১। | মেঘ আৰু বৰষুণ ... ... ... | ২৯ |
| ১২। | উট ... ... ... ... | ৩৬ |
| ১৩। | ছাত্ৰৰ কৰ্ত্তব্য কাম—ধৰম ... ... | ৩৯ |
| ১৪। | ছাত্ৰৰ কৰ্ত্তব্য কাম—স্বাস্থ্য ... ... | ৪৩ |
| ১৫। | ছাত্ৰৰ কৰ্ত্তব্য কাম—নানা বিদ্যা শিক্ষা ... | ৪৮ |
| ১৬। | ছাত্ৰৰ কৰ্ত্তব্য কাম—সজ চৰিত্ৰ আৰু সজ আচৰণ | ৫৪ |
| ১৭। | জন্মভূমি ... ... ... ... | ৬৫ |

আসাম সাহিত্য সভা।
লাইব্ৰেৰী।
তাৰিখ... ১৯/৪/২৭ নং ৫৭৯

# জ্ঞানোদয়।

---

## সিংহ আৰু নিগনিৰ কথা।

এদিন এটা সিংহ বনত শুই আছিল; এনেতে এটা নিগনি লৰালৰিৰ বেগত তাৰ নাকত উঠিল গৈ। তাতে সিংহই সাৰ পাই খঙ্গ উঠি নিগনিক মাৰি পেলাবলৈ ধৰিলে। এনেতে নিগনিয়ে হাত যোৰ কৰি মিনতি কৈ কলে, বোলে, "হে সৰ্গদেও আপুনি অৰণ্যৰ ৰজা, মই এটা নিমাসিত নিগনি; মই কৰেঁ৷ বুলি এনে কাম কৰা নাই—মোৰ সাধ্য কি? মোৰ নিচিনা সামান্য প্ৰাণীক মৰাৰ পৰা আপোনাৰ দুৰ্যশ হে হব। এতেকে এই বাৰলৈ এই বন্দীক নিজ গুণে ক্ষমা কৰি জীৱ-দান দিয়ক। বন্দী আপোনাৰ গুৰিত সদায় বন্ধা গোলাম ৰলোঁ; আৰু সৰ্গদেওৰ কিবা বিপদ হলে, বন্দীয়ে জীৱন দিও সহায় কৰিম।" তাতে সিংহই মিচিকিয়াই

হাঁহি নিগনিক কলে, বোলে, "বাৰু এইবাৰ তোক মই ক্ষেমিলোঁ; তই আগলৈ আৰু এনে কাম নকৰবি। হেৰ দেখ, মই এই অৰণ্যৰ ৰজা; বাঘ, হাতী আদি কৰি সকলো জন্তু মোৰ গোলাম। তই যে মোক সহায় কৰোঁ বুলিছ, তই এটা কোন্ কূটা? তোৰ সাহায্য মোক নেলাগে। তই এতিয়া ইয়াৰ পৰা তুৰন্তে গুছ্।" তেতিয়া নিগনিয়ে প্ৰাণ লৈ লৰি পলাল। পাছে দৈবাত অলপ দিনৰ মূৰতে সেই সিংহ ফান্দ-পতীয়াৰ জালত মেৰ খাই পৰিল, আৰু কোনো মতে এৰাব নোৱাৰি গৰ্জ্জনিৰে গোটাইখন অৰণ্য খলক লগালে। নিগনিয়েও তাৰ জীৱ-দান-দিওঁতাৰ তেনে মাত শুনি কি হল বুলি লৰি গল, আৰু জালৰ গাঁঠি কুটি পশুৰাজক মুকলি কৰি দিলে।

ইয়াৰ তাৎপৰ্য্য এই—

কাৰো অহঙ্কাৰ নৰজে; ডাঙ্গৰ মানুহকো সৰু মানুহৰ সাহায্য লাগে; সৰু মানুহেও কেতিয়াবা বৰ উপকাৰ কৰিব পাৰে; আৰু পৰক উপকাৰ কৰিলে, তাৰ পৰা নিজেও উপকাৰ পায়।

# কাণী বুঢ়ী আৰু বেজৰ কথা।

এজনী বুঢ়ী মানুহ কণা হোৱাত, তাই এজন বেজ মতাই অনাই কলে, বোলে, "হেৰা বেজ, তুমি যদি মোৰ চকু ভাল কৰি দিব পাৰা তেনে-হলে তোমাক মই ইমান খিনি ৰূপ বঁটা দিম; কিন্তু তাকে কৰিব নোৱাৰিলে একো নো-পোৱা।" তাতে বেজো মান্তি হল। কিন্তু সি দৰব দি বুঢ়ীক বেগেতে ভাল নকৰি নানা ছলেৰে পলম কৰিবলৈ ধৰিলে; আৰু সিপিনে লাহে লাহে বুঢ়ীৰ ঘৰৰ বস্তুবোৰো নিজ ঘৰলৈ কঢ়িয়াবলৈ লাগিল। অৱশেষত সি বুঢ়ীক ভাল কৰি দি তাই অঙ্গীকাৰ কৰা বঁটা খুজিলে; কিন্তু টেঙ্গৰী বুঢ়ীয়েও আজি-দিম কালি-দিম কৈ পলম কৰিবলৈ লাগিল। শেহত বেজে ৰাজচৰালৈ গৈ বুঢ়ীৰ ওপৰত গোচৰ কৰিলে। তাতে বুঢ়ীয়ে এই উত্তৰ দি সাৰিল, বোলে, "বেজে মোৰ চকু ভাল্ কৰি দিলেহে মই তাক বঁটা দিওঁ বুলি-ছিলোঁ; কিন্তু মোৰ চকু ভাল হোৱা নাই। সি যে মোৰ চকু ভাল হৈছে বুলি কৈছে, সেইটো কথা মিছা; কাৰণ, মই কণা হোৱাৰ আগেয়ে মোৰ

ঘৰত বহুত্ বস্তুবাহানি দেখিছিলোঁ, এতিয়া দেখোঁ সেইবোৰ সমূলি নেদেখোঁ।”

ইয়াৰ তাৎপর্য্য এই যে, যি প্রবঞ্চনা কৰে, তাৰ কৰা কামো বিফল হয়; আৰু যি পৰক ঠগে, সি নিজেও ঠগ খায়।

---

## এটা বুধিয়ক কাউৰিৰ কথা।

বুদ্ধিৰ অসাধ্য একো নাই; আৰু কোনো কাম কৰিবলৈ বৰ ইচ্ছা হলে, তাৰ উপায়ো ওলায়।

এদিন এটা কাউৰিৰ বৰকৈ পিয়াহ লগাত, সি উৰি গৈ এটা কলহৰ কানত পৰিল গৈ; কিন্তু কলহটোৰ তলিতে অলপমান পানী থকাত সি ঠোঁট সুমাই সুমাই কোনোমতে পানী ঢুকি নেপালে। পাচে সি পানী ঢুকি পোৱাৰ উপায় ভাবিবলৈ ধৰিলে, আৰু মনে মনে ঠাৱৰ কৰিলে বোলে মই যেই সেই বুধিৰে সেই পানী খামেই খাম। পিছে তাৰ মনত এই বুদ্ধি খেলাল। সি ওচৰৰ লদি আৰু শিলগুটিবোৰ আনি এটা এটাকৈ

কলহৰ তলিলৈ পেলাবলৈ ধৰিলে; তাতে লাহে লাহেকৈ কলহৰ পানী ওপৰলৈ উঠি আহিল। যেতিয়া সেই পানী ঠোঁটেৰে ভালকৈ চুকি পোৱা হল, তেতিয়া সেই বুধিয়ক কাউৰিয়ে হেঁপাহ পলুৱাই পানী খাই আনন্দেৰে গুচি গল।

---

## শিয়াল ৰজা হোৱাৰ কথা।

এদিন এটা শিয়াল ভোকত কিবা বিচাৰি নগৰলৈ গল। নগৰৰ কিছুমান কুকুৰে দেখা পাই চোকা দাঁত লগাই তাক কামুৰিবলৈ ধৰিলে। তাতে সি তত নেপাই লৰি এক ধোবাৰ ঘৰত সোমাল গৈ, আৰু লৰৰ বেগত কিবা স্বৰূপে ধোবাৰ নীলৰ পানীৰে ভৰা থালিত পৰাত, তাৰ গোটেইটো গাত বোল লাগিল। পাছে কুকুৰে তাক নেদেখি উভটি যোৱাত, সি লাহেকৈ থালিৰ পৰা ওলাই হাবিলৈ লৰ দিলে। সিংহ, বাঘ আদি অৰণ্যৰ পশুবিলাকে আমাৰ বোল-লগা শিয়ালক দেখি চিনিব নোৱাৰি ভয়ত পলাবলৈ ধৰিলে। ধূৰ্ত্তং শিয়ালে তাকে বুজিব পাৰি গহীনকৈ মাত

লগালে, বোলে "হে পশুবিলাক, তোমালোকে কিয় ভয় কৰিছা ? ভয় নাই, ভয় নাই। মোক আজি বিধতাই নিজে মাতি আনি কলে, বোলে 'পশু-বিলাকৰ ভিতৰত কোনো ৰজা নাই, এতেকে মই আজি তোমাক সিহঁতৰ ওপৰত ৰজা পাতি দিলোঁ। তুমি পৃথিবীলৈ গৈ সকলোকে পালন কৰাঁ গৈ'। এই কাৰণে মই সকলো পশুৰে ৰজা হৈছোঁ।" এই কথা শুনি অৰণ্যৰ জন্তুবিলাকে, "হে মহাৰাজ, হে সৰ্গদেও, কি কৰিব লাগে বন্দীহঁতক আদেশ কৰক" বুলি সেই শিয়ালক বেৰি ধৰিলে। তাতে সি সিংহক মন্ত্ৰী পাতিলে, বাঘক শয্যা-চোৰা লিগিৰা কৰিলে, কুকুৰনেচীয়াক তামুলি ললে, হাতীক দুৱৰীৰ আৰু বান্দৰক ছত্ৰ-ধাৰীৰ কাম দিলে। কিন্তু সি তাৰ আপোনাৰ শিয়ালবিলাকক কেৱল মুখেৰেহে নে মাতিলে, এনে নহয়, গতিয়াই দূৰ কৰিও দিলে।

সিংহ আদিয়ে এটা হৰিণ মাৰি আনি তাৰ আগতে থয়। সি তাৰ কিছুমান মঙ্গহ খাই বাঁকীখিনি সিহঁতক বাঁটি দিয়ে। এই দৰে কিছুকাল ৰাজ্য খোৱাৰ পাছত এদিন সেই

শিয়ালে ৰাজ-সভা পাতি ভেম জুৰি বহি আছে, এনেতে দূৰত আনবোৰ শিয়ালে হোৱা দিলে। তাকে শুনি সিও উল্লাসিত হৈ উঠি হোৱা, হোৱা কৰিবলৈ ধৰিলে। তাতে সিংহ-আদিয়ে তাক শিয়াল বুলি চিনি পাই লাজত তললৈ মূৰ কৰিলে; আৰু ইটোৱে সিটোৱে ফুচ্‌ফুচাই কথা পাতিলে, বোলে "চোৱাঁ, ই কটা সামান্য শিয়াল এটাই আমাক কেনেকৈ বন্দী বালে! ধৰাঁ, ইয়াক বধি পেলাওঁহঁক।" এই কথা শুনি সি পলাব খোজোঁতেই সিহঁতে তাক ধৰি ডোখৰ ডোখৰকৈ পেলালে।

সংসাৰত এই শিয়ালৰ নিচিনা মানুহ বহুৎ আছে; আৰু সিহঁতৰ শেষ গতিও তাৰ দৰেই হয়।

---

## 'তাত সংশয় নাই।'

বিবেচনা নকৰাকৈ কোনো কাম কৰিব নেলাগে। অবিবেচনা বহুত অনৰ্থৰ মূল। যি গুণি পিটিকি নেচাই হঠাৎ কোনো কাম কৰে,

৫। যি নিজক দমিব পাৰে, তেৱেঁই আচল বীৰ।

৬। তুমি নিজেই নিজৰ মিত্ৰ আৰু নিজেই নিজৰ শত্ৰু, আপোন ভালেই জগৎ ভাল।

৭। কামে হে মানুহ কৰে।

৮। একোলৈকে হেলা নকৰিবা; হেলা মানুহৰ শত্ৰু।

৯। মানুহৰ সজ চৰিত্ৰেই এটা সম্পত্তি।

১০। যি পৰক ভাল কৰিব খোজে, তেওঁ আগেয়ে নিজে ভাল হব লাগে।

১১। আনে তোমাৰ প্ৰতি যেনে ব্যৱহাৰ কৰিলে তুমি ভাল পোৱঁা, তুমি আনৰ প্ৰতি তাতোকৈ ভাল ব্যৱহাৰ কৰিবা।

১২। যি আনক মৰম নকৰে, সি আনৰ মৰমৰ পৰা বঞ্চিত হয়।

১৩। স্বৰগ ভাগি পৰিলেও সত্যৰ জয় হবলৈ দিয়াঁ।

১৪। সামান্য লোকৰ পৰাও সজ বিদ্যা শিকিবা।

১৫। অধিক হলে সকলো বেয়া। বৰকৈ বাঢ়িলে দোঁ-খাব লাগে।

১৬। দৰিদ্ৰতাৰ সমান দুখ নাই। ই মানুহৰ সকলো সজ গুণ ঢাকি ৰাখে।

১৭। প্ৰিয়বাদীৰ পৰ নাই।

১৮। বিপদ হলে ধৈৰ্য্য ধৰা, আৰু অভ্যুদয় হলে ক্ষমা কৰা, মহাত্মা সকলৰ স্বভাৱ।

১৯। সঙ্গ অনুসাৰে মানুহ উত্তম, মধ্যম আৰু অধম হয়। এতেকে অসৎ-সঙ্গ পৰিত্যাগ কৰি সজ লোকৰ সঙ্গ লোৱাঁ।

২০। পৰৰ উপকাৰৰ নিমিত্তেই সাধুসকলৰ জীৱন।

২১। নিজক অজৰ অমৰ যেন ভাবি ধন আৰু বিদ্যা উপাৰ্জ্জন কৰিবা; কিন্তু যমে চুলিত ধৰি আছে যেন ভাবি ধৰম আচৰণ কৰিব লাগে।

২২। ফল লাগিলে গছ দোঁ খায়, সমৃদ্ধি হলে মহৎ লোক নম্ৰ হয়;—পৰোপকাৰীৰ স্বভাৱেই এনে।

২৩। মানুহৰ দোষ যিমান বেকত হয়, গুণ সিমান নহয়।

২৪। যেনেকৈ আকাশলৈ ধূলি মাৰিলে, সেই ধূলিয়ে আকাশত নেলাগি নিজৰ মূৰকেহে

মলিন কৰে, সেই দৰে যি সজ লোকক নিন্দা কৰে, সি নিজৰ বেয়া স্বভাৱৰ মাথোন চিনাকি দিয়ে।

২৫। সন্তোষ সুখৰ মূল।

২৬। নিদ্ৰা, অনুৎসাহ, ভয়, ক্ৰোধ, আলস্য আৰু দীৰ্ঘসূত্ৰতা এই ছয় দোষ উন্নতি-বাঞ্ছাকাৰী পুৰুষে পৰিত্যাগ কৰিব।

২৭। পৰিশ্ৰমী মানুহ লক্ষ্মীৰ বৰ পুত্ৰ।

২৮। অকল ধৰ্ম্মেই হে বন্ধু—সি মানুহ মৰিলেও লগত যায়। আন সকলো শৰীৰৰ লগতে নষ্ট হয়। সুখেই হে সকলোৰে বাঞ্ছনীয় বস্তু। আৰু সেই সুখ অকল ধৰ্ম্মৰ পৰা হে পোৱা যায়।

২৯। 'এওঁ মোৰ আপোন, এওঁ মোৰ পৰ'—এনে ভাব কেৱল ক্ষুদ্ৰ মনৰ মানুহৰ; মহৎ লোকৰ হলে জগৎ গোটাইখনেই কুটুম্ব।

৩০। সূৰ্য্যও যদি পশ্চিম দিশত ওলায়, পদ্মও যদি পৰ্ব্বতৰ টিঙ্গত ফুলে, মেৰু পৰ্ব্বতেও যদি লৰচৰ কৰে, আৰু অগ্নিও যদি শীতল হয়, তথাপি কেতিয়াও সজ্জনৰ বাক্য নলৰে।

# পিতৃ-মাতৃ।

এই সংসাৰত আমাৰ যিমান বন্ধু বা উপকাৰী মানুহ আছে, সেই সকলোৰে ভিতৰত পিতৃ-মাতৃ প্ৰথম আৰু শ্ৰেষ্ঠ। তেওঁলোকে আমাক জন্ম দিয়ে, পোহপাল কৰি ডাঙ্গৰ-দীঘল কৰে, লাগতীয়াল শিক্ষা দি জ্ঞানী আৰু কাম চলাই খাব পৰা কৰে। সন্তানৰ নিমিত্তে তেওঁলোকে যিমান দুখ-বেজাৰ সহে, যিমান যত্ন আৰু চেষ্টা কৰে, যিমান স্বাৰ্থত্যাগ কৰে, ইমান কোনোৱে নকৰে। আমাৰ নিমিত্তে জীৱন এৰিব পাৰে, এনে মানুহ জগতত পিতৃ-মাতৃৰ বাহিৰে কোনো নাই। সন্তানৰ মুখত হাঁহি ওলালে, তেওঁলোকৰ মুখতো হাঁহি ওলায়; সন্তানৰ চকুত পানী ওলালে তেওঁলোকৰ চকুতো পানী ওলায়; সন্তানৰ দুখত তেওঁলোকৰ বেজাৰ; সন্তানৰ সুখত তেওঁলোকৰ আনন্দ। কেনেকৈ আমাৰ সুখ, উন্নতি আৰু যশস্যা হয়—দিনে ৰাতিয়ে সদায় তেওঁলোকৰ মনত এই কথাই হে জাগৰিত হৈ থাকে। ভাল বস্তু পালে, পিতৃ-মাতৃয়ে নিজে নেখাই

আমাক খুৱায়; ভাল কাপোৰ নিজে নিপিন্ধি আমাক পিন্ধায়। আমি বৰকৈ উভটি কৰিলেও তেওঁলোকে আমালৈ মৰম এৰিব নোৱাৰে। আমি বেয়া হলেও তেওঁলোকৰ মনত ভাল—কুৰূপ হলেও সুন্দৰ, দুষ্ট হলেও সন্ত। মৰাৰ সময়তো তেওঁলোকে আমাক আশীৰ্ব্বাদ কৰিহে প্ৰাণ এৰে। পিতৃ-মাতৃ জীৱন্ত দেৱতা—স্নেহ আৰু পৰোপকাৰৰ অৱতাৰ।

কোনো এক দেশত এদিন এজনী তিৰোতাই তাইৰ কেচুৱা লৰা এটা ঘৰৰ বাহিৰত শুৱাই থৈছিল। সেই দেশত 'ঈগল্' বুলি এবিধ ডাঙ্গৰ চৰাই আছে। পাছে 'ঈগল্' চৰাই এটাই সেই লৰাটো থাপ মাৰি লৈ গৈ এক পৰ্ব্বতৰ টিঙ্গত তুলিলে। তেতিয়া মাকে আৰু ওচৰচুবুৰীয়া মানুহে দেখি হুৱাহুৱা লগোৱাত, ভয়ত ঈগল্‌টোৱে লৰা এৰি উৰি গল। কিন্তু পৰ্ব্বতটো বৰ ওখ, দুৰ্গম আৰু হাবি কাঁইটেৰে গঞ্জ। তাত অনেক ডেকা, সাহিয়াল, যুঁজাৰু চিপাহীও গোট খাই-ছিল; তথাপি কোনেও সেই পৰ্ব্বতত উঠিবলৈ সাহ নকৰিলে; দুজন মানে উঠি আধা বাটৰে

পৰা উভতি আহিল। কিন্তু লৰাৰ মাকে, ভীৰু-স্বভাৱ আৰু কোমল-শৰীৰ হৈও, গড়া, হাবি আৰু কাঁইটলৈ অলপো কটাহি নকৰি অসম সাহেৰে মুহূৰ্ত্তকৰ ভিতৰতে লৰাক কোলাত তুলি ললেগৈ, আৰু গোটাইটো শৰীৰ তেজেৰে বাঙ্গলি হৈ নামি আহিল।

---

## সন্তানৰ কৰ্ত্তব্য কাম।

পিতৃ-মাতৃৰ প্ৰতি ভক্তি কৰা সন্তানৰ কৰ্ত্তব্য। তেওঁলোকৰ বাক্য পলা, তেওঁলোকক পোহপাল কৰা, আৰু কায়-মনোবাক্যে যত্ন কৰি তেওঁ-লোকক সুখে ৰখা, সন্তানৰ উচিত কাম। তেওঁ-লোকে আমাক গালি-শপনি পাৰিলে, বা আমাৰ আন কোনো দোষ কৰিলে, আমি সহি থাকিব পাওঁ। তেওঁলোকৰ সুখেই আমাৰ সুখ হব লাগে; তেওঁলোকৰ দুখ হলে আমাৰ মনত বেজাৰে লাগিব পায়। যি কাম কৰিলে পিতৃ-মাতৃয়ে ভাল পায়, সন্তানে তাকে হে কৰা উচিত। তেওঁলোকৰ উপকাৰৰ ধাৰ শুজা, সন্তানৰ পক্ষে অসম্ভৱ।

আমাক খুৱায়; ভাল কাপোৰ নিজে নিপিন্ধি আমাক পিন্ধায়। আমি বৰকৈ উভটি কৰিলেও তেওঁলোকে আমালৈ মৰম এৰিব নোৱাৰে। আমি বেয়া হলেও তেওঁলোকৰ মনত ভাল— কুৰূপ হলেও সুন্দৰ, দুষ্ট হলেও সন্ত। মৰাৰ সময়তো তেওঁলোকে আমাক আশীৰ্ব্বাদ কৰিহে প্ৰাণ এৰে। পিতৃ-মাতৃ জীৱন্ত দেৱতা—স্নেহ আৰু পৰোপকাৰৰ অৱতাৰ।

কোনো এক দেশত এদিন এজনী তিৰোতাই তাইৰ কেচুৱা লৰা এটা ঘৰৰ বাহিৰত শুৱাই থৈছিল। সেই দেশত 'ঈগল্' বুলি এবিধ ডাঙ্গৰ চৰাই আছে। পাছে 'ঈগল্' চৰাই এটাই সেই লৰাটো থাপ মাৰি লৈ গৈ এক পৰ্ব্বতৰ টিঙ্গত তুলিলে। তেতিয়া মাকে আৰু ওচৰচুবুৰীয়া মানুহে দেখি হুৱাহুৱা লগোৱাত, ভয়ত ঈগল্টোৱে লৰা এৰি উৰি গল। কিন্তু পৰ্ব্বতটো বৰ ওখ, দুৰ্গম আৰু হাবি কাঁইটেৰে গঞ্জ। তাত অনেক ডেকা, সাহিয়াল, যুঁজাৰু চিপাহীও গোট খাইছিল; তথাপি কোনেও সেই পৰ্ব্বতত উঠিবলৈ সাহ নকৰিলে; দুজন মানে উঠি আধা বাটৰে

পৰা উভতি আহিল। কিন্তু লৰাৰ মাকে, ভীৰু-স্বভাৱ আৰু কোমল-শৰীৰ হৈও, গড়া, হাবি আৰু কাঁইটলৈ অলপো কটাহি নকৰি অসম সাহেৰে মুহূৰ্ত্তকৰ ভিতৰতে লৰাক কোলাত তুলি ললেগৈ, আৰু গোটাইটো শৰীৰ তেজেৰে বাঙ্গলি হৈ নামি আহিল।

---

## সন্তানৰ কৰ্ত্তব্য কাম।

পিতৃ-মাতৃৰ প্ৰতি ভক্তি কৰা সন্তানৰ কৰ্ত্তব্য। তেওঁলোকৰ বাক্য পলা, তেওঁলোকক পোহপাল কৰা, আৰু কায়-মনোবাক্যে যত্ন কৰি তেওঁ-লোকক সুখে ৰখা, সন্তানৰ উচিত কাম। তেওঁ-লোকে আমাক গালি-শপনি পাৰিলে, বা আমাৰ আন কোনো দোষ কৰিলে, আমি সহি থাকিব পাওঁ। তেওঁলোকৰ সুখেই আমাৰ সুখ হব লাগে; তেওঁলোকৰ দুখ হলে আমাৰ মনত বেজাৰে লাগিব পায়। যি কাম কৰিলে পিতৃ-মাতৃয়ে ভাল পায়, সন্তানে তাকে হে কৰা উচিত। তেওঁলোকৰ উপকাৰৰ ধাৰ শুজা, সন্তানৰ পক্ষে অসম্ভৱ।

এনে পিতৃ-মাতৃৰ প্ৰতি যি অৱহেলা আৰু মন্দ ব্যৱহাৰ কৰে, সি পাপিষ্ঠ আৰু নৰাধম। যি প্ৰাণপণে পিতৃ-মাতৃৰ সেৱা-শুশ্ৰূষা কৰে, পিতৃ-মাতৃৰ সুখৰ নিমিত্তে নিজৰ সুখ পৰিত্যাগ কৰে, তেওঁৰ জীৱন ধন্য।

ৰুচিয়া দেশৰ ৰজাই কিবা জগৰত তেওঁৰ এজনা সেনাপতিক যাৱজ্জীৱন দেশান্তৰিত কৰি চাইবেৰিয়া প্ৰদেশৰ উত্তৰ ফালে এখান সৰু গাঁৱত ৰাখিছিল। সেই সেনাপতিৰ কেথেৰিণ্ বুলি এজনী ছোৱালী আছিল। এই ঠাইত মাক-বাপেকৰ দুখ-কষ্ট দেখি কেথেৰিণৰ মনত বৰ বেজাৰ লাগিছিল। তাতে তাই মনে মনে সঙ্কল্প কৰিলে, বোলে মই ৰজাৰ ৰাজধানীলৈ গৈ ৰজাৰ আগত কান্দি-কাটি, কাকুতি-মিনতি কৰি বোপা-ইৰ জগৰ ক্ষমা কৰাম। কিন্তু যেতিয়া তাই মাক বাপেকৰ আগত এই কথা জনালে, তেতিয়া তেওঁলোকে তাইক সেই কামলৈ অনুমতি নিদি তাইৰ প্ৰস্তাৱ হাঁহি উৰাই দিলে। তথাপি কেথেৰিণে তাইৰ দৃঢ় সঙ্কল্প নেৰি ক্ৰমান্বয়ে তিনি বছৰ মাক-বাপেকক নানা ভাৱস্তিৰে খাটিলে,

আৰু অৱশেষত তেওঁ লোকে তাইৰ অদ্ভুত প্ৰস্তাৱত মান্তি নহৈ থাকিব নোৱাৰিলে। সেই ঠাইৰ পৰা ৰজাৰ নগৰ শত শত ক্ৰোশ দূৰৈ—পথ কোনো ঠাইত ঘোৰ অৰণ্য আৰু কোনো ঠাইত গোটা হিমেৰে পৰিপূৰ্ণ—জাৱত ৰক্ষা নাই। তাইৰ গাত ফটা কাপোৰ, হাতত মুঠেই ডেৰ টকা ৰূপ সম্বল।

এই অৱস্থাৰে এজনী ওঠৰ বছৰীয়া ছোৱালীয়ে নিৰ্ভয়ে অকলৈ যাত্ৰা কৰিলে। কিন্তু বাটত তাইৰ দুখ আৰু বিপদৰ সীমা নেথাকিল। তাই কেতিয়াবা বতাহ-বৰষুণত থক্ থক্ কৰে কঁপিছিল, কেতিয়াবা ডকাইতৰ হাতত পৰিছিল, অৰণ্যত মুকলি ঠাইত শুইছিল, ঘৰে ঘৰে ভিক্ষা কৰিছিল। শেহত কেথেৰিণক ভয়ঙ্কৰ শীতকালেও আক্ৰমণ কৰিলে! অনেক বাধাবিঘিনী অতিক্ৰম কৰি ওঠৰ মাহৰ পাছত বপুৰীয়ে সেই ৰাজধানী পালে গৈ। তাই হাতত নিবেদন কাকত লৈ দুই সপ্তাহমান ৰাজ-ৰাজ চৰাৰ দুৱাৰ-মুখত বাট চালে; তেও ৰাজসভাৰ কোনো সভাসদে সেই কাকত গ্ৰহণ নকৰিলে। পাছত কোনো কোনো মৰমিয়াল

মানুহে মৰম কৰি তাইক নি ৰজাৰ আগত ভেঁটাই দিলে। ৰজাই তাইক বৰ মৰম কৰিলে আৰু তাইৰ কাৰ্য্যত বৰ সন্তুষ্ট হৈ বাপেকৰ অপৰাধ ক্ষমা কৰিলে। তাতে তাইৰ মাক-বাপেক দুয়ো নিৰ্ব্বাসনৰ পৰা মুক্ত হৈ আহি তাইৰ লগ ললেহি। এই মিলনৰ সময়ত তেওঁলোকৰ মনৰ ভাব বৰ্ণনা কৰে, কাৰ সাধ্য ?

ইমান দিনৰ অসহনীয় দুখ-বেজাৰত কেথেৰিণৰ স্বাস্থ্য একেবাৰেই ভগ্ন হৈছিল। মাহচেৰেকৰ পাছতে তেওঁৰ মৃত্যু হল ; কিন্তু তেওঁ যে নিজৰ জীৱন বলি দিও পিতৃ-মাতৃৰ মুক্তি-লাভ কৰালে, তেওঁৰ এই মহৎ দৃষ্টান্ত জগতত চিৰস্থায়ী হৈ ৰল।

---

## ডুবাল।

যি সকলে ভাবে যে বিদ্যা উপাৰ্জ্জন কৰিবলৈ ডাঙ্গৰ মানুহৰ লৰা হব লাগে, নাইবা হাতত বহুত ধন-সম্পত্তি থাকিব লাগে, তেওঁলোকে ডুবালৰ জীৱন চৰিত্ৰ মন দি পাঠ কৰোক।

১৬৯৫ খ্রীষ্ট-শঁকত ফ্রান্স দেশত বলণ্টিন্ জামিৰে ডুবালৰ জন্ম হয়। দহ বছৰমান বয়স হওঁতে তেওঁৰ মাক বাপেক ঢুকায়। তেওঁৰ বাপেক এটা সামান্য চহা মানুহ আছিল আৰু অলপমান খেতি কৰি কোনো মতে প্ৰবৰ্ত্তন কৰিছিল। এই নিমিত্তে তেওঁ সৰু কালতে ভাত-কাপোৰৰ দুখত পৰিছিল। বাৰ বছৰ বয়সত ডুবাল এটা খেতিয়-কৰ চৰাই-ৰখীয়া হয়; কিন্তু অলপ দিনৰ পিছতে এই কাম এৰি লোৰেন্ দেশলৈ যায়। বাটত যাওঁতে ডুবাল ৰোগত পৰি আধা-মৰা হয়; আৰু এজন মৰমীয়াল খেতিয়কে আশ্ৰয় দি আৰু সেৱা-শুশ্ৰূষা কৰি তেওঁৰ প্ৰাণৰক্ষা কৰে। তাৰ পাছত তেওঁ মেৰছাগলি-ৰখীয়া বিষয়টো ললে।

জ্ঞান-পিপাসা ডুবালৰ বৰ প্ৰবল আছিল। যেতিয়া তেওঁ লৰা মানুহ আছিল, পৰৰ মেৰ-ছাগলি ৰাখি কোনোমতে জীৱিকাৰ উলিয়াইছিল, আৰু লেখাপঢ়াৰ নামে আখৰ এটিও শিকা নাছিল, তেতিয়াও তেওঁ সাপ, ভেকুলি-আদি অনেক জন্তু গোটায়, আৰু সিহঁতৰ গাৰ গঢ়, স্বভাৱ আদি জানিবলৈ যত্ন কৰে। আৰু যেতিয়া তেওঁ এটা

লৰাৰ হাতত ঈচপে লিখা সাধুকথাৰ কিতাপত নানা জন্তুৰ ছবি দেখিবলৈ পালে আৰু ৰবকৈ প্ৰাৰ্থনা কৰাতো সেই লৰাই তেওঁক সেই জন্তু-বোৰৰ বিবৰণ পঢ়ি সুশুনালে, তেতিয়া তেওঁৰ লেখাপঢ়া শিকিবলৈ বৰ মন গল। সেই কাৰণে তেওঁ অনেক দুখ সহিও দুটা-এটাকৈ পইচা গোটাবলৈ ধৰিলে, আৰু পঢ়িব জনা লৰাবিলাকক তাকে দি লেখাপঢ়া শিকিবলৈ ধৰিলে। পৰৰ চাকৰ, দিনৰ দিনটো দুখেৰে মেৰছাগলি ৰাখি ফুৰিব লাগে—ইস্কুল নাই, পণ্ডিত নাই, বেছি ধন নাই; তথাপি ডুবাল ইচ্ছা আৰু পৰিশ্ৰমৰ বলত অলপ দিনৰ ভিতৰতে লেখাপঢ়াত বৰ পাৰ্গত হৈ উঠিল। কিন্তু ওচৰৰ লৰাবোৰে তেওঁৰ পঢ়াত নানা ব্যাঘাত কৰিবলৈ ধৰিলে। এই কাৰণে তেওঁ মেৰছাগলি-ৰখীয়া কাম এৰি এখন সন্ন্যাসী আশ্ৰমলৈ গৈ সন্ন্যাসী সকলৰ গৰু ৰাখিবলৈ ধৰিলে। আশ্ৰমত বহুৎ পুথি আছিল। সেই বোৰ তেওঁ হেঁপাহ পলুৱাই পঢ়িবলৈ পালে। আশ্ৰমলৈ কোনো বিদ্যাৱন্ত লোক গলে, ডুবালে তেওঁলোকৰ পৰা টান টান কথাবিলাক বুজি

লয়। যি ডুটা এটা পইচা গোটাব পাৰে, তাৰে তেওঁ কেৱল কিতাপ আৰু পৃথিবীৰ চিত্ৰ কিনে। তেওঁ বেচি কিতাপ কিনিবৰ নিমিত্তে হাবিত ফান্দ পাতি সৰু সৰু জন্তু ধৰি বজাৰত বেচিবলৈ লাগিল। যিমান ন ন কিতাপ পাই তেওঁ পঢ়িবলৈ ধৰিলে, সিমান তেওঁৰ জ্ঞান-পিপাসা বাঢ়িবলৈ ধৰিলে। তেওঁ বৰ পৰিশ্ৰম কৰি ক্ৰমে ক্ৰমে গণিত, ইতিহাস, ভূগোল আদি নানা বিদ্যা শিকিবলৈ ধৰিলে। তেওঁ হাবিত গৰু এৰি দি অসংখ্য মেপ আৰু কিতাপ মেলি লৈ এনেহে মনোযোগেৰে পঢ়িবলৈ লাগে, যে ওচৰেদি মানুহে অহা যোৱা কৰি থাকিলেও বা বৰকৈ কথা কলেও, তেওঁ গম নেপায়।

ডুবাল বৰ বিনয়ী, ধাৰ্ম্মিক আৰু সুচৰিত্ৰ আছিল। এদিন হাবিত তেওঁ এটা বহুমূল্য সোণৰ মোহৰ হেৰা পালে। এই মোহৰটো আত্মসাৎ কৰা হলে তেওঁ তাৰ ধনেৰে ভালেমান কিতাপ কিনিব পাৰিলেহেঁতেন। কিন্তু ধাৰ্ম্মিক ডুবালে ঘোষণা কৰাই দিলে যে, তেওঁ এটা সোণৰ মোহৰ হেৰা পাইছে, তাৰ গৰাকীয়ে

আহি তেওঁ থকা আশ্ৰমৰ পৰা লৈ যাবহি। কিছু দিনৰ পাছত মোহৰৰ গৰাকী ডুবালৰ গুৰিত উপস্থিত গল গৈ, আৰু তেওঁৰ বিদ্যা আৰু স্বভাৱ দেখি আচৰিত মানিলে। তেওঁ মোহৰ লৈ ডুবালক উচিত বঁটা দিলে, আৰু তেওঁৰ সৈতে মাজে মাজে দেখা কৰিবলৈ কৈ গল। ইয়াৰ পাছত ডুবালে যিমান বাৰ তেওঁৰ তালৈ গৈছিল, সিমান বাৰ এটকা এটকা ৰূপ কিতাপ কিনিবলৈ পাইছিল। এই দৰে তেওঁ ভালেমান কিতাপ কিনিলে।

ডুবালৰ বয়স এতিয়া বত্ৰিছ বছৰ হল; তথাপি তেওঁ গৰখীয়া-কাম এৰি সংসাৰী হবলৈ বা ধন ঘটিবলৈ মন নকৰিলে। গৰু ৰাখি পেট পুহিব, ধৰম-পথত থাকি মনৰ শান্তিৰে জীৱন নিয়াব, আৰু ৰাশিয়ে ৰাশিয়ে পুথি পঢ়ি জ্ঞান-শিকাৰ হেঁপাহ পূৰাব—ইয়াৰ বাহিৰে তেওঁৰ আন চিন্তা নাছিল। দৈবাৎ এটা ঘটনাৰ দ্বাৰাই ডুবালৰ কপাল মূকলি হল। এদিন তেওঁ গৰু মেলি দি কিছুমান কিতাপ আৰু মেপ খুলি লৈ একান্তমনে গছৰ তলত বহি পঢ়ি আছে, এনেতে এজনা শান্ত-

মূৰ্ত্তি, অগাধ পণ্ডিত তেওঁৰ ওচৰত ঠিয় হল গৈ। এওঁ লোৰেণৰ ৰাজ-কোঁৱৰ সকলৰ অধ্যাপক— তেওঁলোকেৰে সৈতে মৃগয়া কৰিবলৈ গৈ বাট হেৰুৱাই সেই ঠাইত উপস্থিত হৈছিল। অধ্যাপক মহাশয় এনে হাবিত গছৰ তলত বহি এটা মলিন বেশেৰে সামান্য গৰখীয়াই এনে ভাবে পঢ়া দেখি আচৰিত আৰু আহ্লাদিত হল, আৰু ৰাজ-কোঁৱৰ সকলকো মাতি আনি সকলোৱে ডুবালক বেৰি ধৰিলে। আৰু যেতিয়া ডুবালৰ মুখত তেওঁৰ বিদ্যা আৰু বিদ্যা শিকাৰ বৃত্তান্ত শুনিলে, তেতিয়া তেওঁলোকৰ বিস্ময় আৰু সন্তোষৰ সীমা নোহোৱা হল। তেতিয়া বৰ কোঁৱৰে ডুবালক কলে, বোলে তুমি আমাৰ নগৰলৈ আহাঁ ; তোমাক এটা ভাল বিষয় দিম। ডুবালে কিতাপত পঢ়ি পাইছিল যে, ৰাজ-বিষয়াবিলাকৰ স্বভাৱ ভালে নেথাকে। সেই কাৰণে তেওঁ উত্তৰ দিলে, বোলে ৰজাৰ নগৰলৈ গৈ বিষয় লবৰ মোৰ মন নাই ; মই এতিয়াই সুখে আছোঁ। কিন্তু আপুনি যদি মোৰ বিদ্যা-শিকাৰ কিবা ভাল দিহা কৰি দিব পাৰে, তেনেহলে যাব পাৰোঁ। তাতে

ৰাজ-কোঁৱৰে সম্মত হৈ তেওঁক নগৰলৈ লৈ গল, আৰু এখান ভাল বিদ্যালয়ত পঢ়িবলৈ দিহা কৰি দিলে। ডুবালে সেই বিদ্যালয়ত মনৰ হেঁপাহ পলুৱাই দুবছৰমান পঢ়ি বিস্তৰ বিদ্যা শিকিলে। তাৰ পাছত তেওঁ আৰু ডাঙ্গৰ অধ্যাপকৰ তলত পঢ়িবৰ ভাবেৰে ফ্ৰান্স দেশৰ ৰাজধানীলৈ গল; আৰু তাত এবছৰমান পঢ়ি আকৌ আগৰ ঠাইলৈ উভটি আহিল। স্বৰূপতে তেওঁ উৎসাহ আৰু পৰিশ্ৰমৰ বলত নানা বিদ্যাত অগাধ পণ্ডিত হৈ উঠিল। এই বাৰ তেওঁ মাহিলি এক হাজাৰ টকা দৰমহাত ৰজাৰ পুথি-ভঁড়ালৰ অধ্যক্ষ আৰু মাহে সাত শ টকাত ইতিহাসৰ অধ্যাপক নিযুক্ত হল। তেওঁক ৰাজ-ঘৰত থাকিবলৈ দিয়া হল। তেওঁৰ নাম দেশে দেশে প্ৰখ্যাত হৈ উঠিল। দূৰণি দেশৰ মানুহ গৈও তেওঁৰ মুখত ইতিহাস শিকিবলৈ ধৰিলে। এই দৰে তেওঁৰ মান, যশস্যা, সুখ আৰু ঐশ্বৰ্য্য বাঢ়িবলৈ ধৰিলে। তথাপি তেওঁৰ আগৰ সেই বিদ্যানুৰাগ, সেই ধৰ্ম্মভাব, সেই নিৰ্জ্জু নম্ৰ স্বভাৱ, সেই কোমল, সৰল হৃদয়— এই বিলাকৰ অলপো বিকৃতি নহল। আৰু যেতিয়া

তেওঁৰ একাশি বছৰ বয়সত মৃত্যু হয়, তেতিয়া সেই সম্বাদ পাই নানা দেশৰ মানুহে হাঁহাঁকাৰ কৰিছিল।

---

## দয়া।

দয়াৰ সমান ধৰম নাই। দয়ালু পুৰুষ মানুহ-জাতিৰ অলঙ্কাৰ আৰু পৃথিবীত দেৱতা। তেওঁ অসহায়ৰ সহায়; জগতৰ বন্ধু। যি কব পাৰে বোলে, মই কেতিয়াও কোনো দুখীয়া মগনীয়াৰক বিমুখ কৰা নাই, তেওঁৰ জীৱন সাৰ্থক। যি দয়া কৰে, তেওঁ মনত অপৰিমিত সন্তোষ পায়; আৰু যাক দয়া কৰা যায়, তেৰোঁ বৰ উপকৃত আৰু কৃতজ্ঞ হৈ সময়ত উপকাৰীৰ প্ৰত্যুপকাৰ কৰে। তুমি যিমান মানুহক দয়া কৰিলা, সিমান মানুহক বন্ধু কিনিলা।

দান, দয়াৰ ঘাই কাম। দাতাৰ সমান সুখী আৰু মহৎ নাই। আমাৰ সকলোৰে পিতৃ-স্বৰূপ পৰমেশ্বৰ দয়াৰ সাগৰ। জলে, স্থলে, আকাশে, সকলো ঠাইতে সকলো সময়তে দয়াময় ঈশ্বৰৰ

অসীম দয়াৰ কাৰ্য্য। সুন্দৰ ফুল, সুমধুৰ ফল, মেঘৰ বৰষুণ, সূৰ্য্যৰ ৰশ্মি, চন্দ্ৰৰ জোনাক, শীতল জল, মৃদু মলয় বতাহ, সকলো ঈশ্বৰৰ দান। তেওঁৰ দয়া আৰু ক্ষমাৰ পাৰ নাই। ঈশ্বৰৰ দৰে দান, দয়া আৰু ক্ষমা কৰা সকলো মানুহৰে কৰ্ত্তব্য কাম। কেৱল দান কৰিলেই দয়া কৰা হয়, এনে নহয়; যাক যি লাগে, তাক তাকেই দিয়া উচিত। অজ্ঞানক জ্ঞান দিয়া, নিৰাশ্ৰয়ক আশ্ৰয় দিয়া, সকলোকে সজ কথা আৰু সজ পৰামৰ্শৰ দ্বাৰায় সুখী আৰু উপকৃত কৰা, দয়ালু মানুহৰ কৰ্ত্তব্য কাম। যাৰ দয়া নাই, তাৰ ধৰম নাই; সি পাপৰ লগৰীয়া; আৰু তাৰ মন শুকান কাঠতকৈও নীৰস। নিৰ্দ্দয় মানুহ পশুৰ সমান।

দয়ালু মানুহে দয়াৰ পাত্ৰ বিচাৰি ফুৰে; কিয়নো দয়াৰ কাম কৰোঁতে অনেক সময়ত নিজৰ ধনহানি হলেও, মনত বৰ সন্তোষ পোৱা যায় আৰু যি এবাৰ এই অনুপম সন্তোষৰ সোৱাদ পাইছে, তেওঁ তাক পাহৰিব নোৱাৰে। অতিথি-সেৱা এটা দয়াৰ কাম। এই কাৰণে কোনো কোনো ধৰমী বুঢ়া মানুহে আলি-বাটত খাপ লৈ

থাকে, আৰু অতিথি দেখিলেই সাদৰি ঘৰলৈ মাতি আনি সেৱা-শুশ্ৰূষা কৰে। এই আলহী-শোধা বৰ ধৰম। আমাৰ পুথিয়ে কয় বোলে সজকুলীয়া মানুহৰ ঘৰলৈ বেয়াকুলীয়া আলহী গলেও তাক উচিত মতে সৎকাৰ কৰিব পায়; কিয়নো অতিথি সৰ্ব্বদেৱতা। কিন্তু আজিকালি বহুত মানুহে আলহী নোশোধে। এই বিলাক মানুহৰ মনৰ পৰা যে ধৰম-ভাৱ পলাইছে, তাত অকণো ভুল নাই।

জৰ্ম্মণি দেশৰ অধিৰাজ দ্বিতীয় জোচেফ্ বৰ দয়ালু পুৰুষ আছিল। এদিন তেওঁ সামান্য বেশ অপিন্ধি কলৈ ফুৰি আছিল; এনেতে তেওঁৰ শান্ত মূৰ্ত্তি দেখি সাহ কৰি এটা লৰাই ভিক্ষা মাগিলে। পাছে ৰজাই তাৰ অৱস্থাৰ কথা শোধাত সি কলে, বোলে অলপ দিন হল, মোৰ বোপাই মৰিছে। মোৰ আই আৰু ভাই এটা আছে। আমি দুখীয়া আৰু নিৰাশ্ৰয়; তাতে এতিয়া আইৰো বৰ নৰীয়া। ৰজাই আকৌ শুধিলে, বোলে বোপা, কোন্ বেজে নো তোমাৰ মাৰাৰ নৰীয়া চাইছে? তাতে লৰাই কলে, দেউতা, ধন দিব নোৱৰাত

কোনো বেজে আইক চোৱা নাই। এই কাৰণেই মই মাগিবলৈ আহিছোঁ। ইয়াকে শুনি দয়ালু ৰজাৰ মন শোকত পমি গল আৰু তেওঁৰ চকুৰ পৰা চকু-লো ববলৈ ধৰিলে! বেজক দিবলৈ তাৰ হাতত কিছুমান ৰূপ দি আৰু সিহঁতৰ ঘৰৰ ঠিকনা শুধি লৈ ৰজাই প্ৰস্থান কৰিলে। লৰাই ধন পাই ৰঙ্গমনেৰে বেজ বিচাৰি গল। সিপিনে ৰজায়ো সিহঁতৰ ঘৰ বিচাৰি নৰীয়া পৰি থকা মানুহজনীৰ গুৰিত বেজ বুলি উপস্থিত হল গৈ আৰু তাইৰ মুখত সিহঁতৰ দুৰ্গতিৰ কথা শুনি মনত বৰ বেজাৰ পালে। তেওঁ এডোখৰ তুলাপাত খুজি লৈ তাতে কিবা কথা লিখি মানুহজনীক দি কলে বোলে, মই ইয়াতে দৰবৰ ব্যৱস্থা লিখিছোঁ; ইয়াৰ দ্বাৰায় নিশ্চয় তোমাৰ নৰীয়া ভাল হব। এই বুলি তেওঁ গুচি গল। তেওঁৰ পাছতে লৰাটোৱেও এজনা বেজ লৈ ওলালহি। এই বেজে ৰজাই লিখা তুলাপাত ডোখৰ পঢ়ি বৰ আচৰিত হল আৰু কলে বোলে, তোমালোকৰ ঘৰলৈ আজি যি জনা আহিছিল, তেৱেঁই পৰম দয়ালু ৰজা জোচেফ্। তোমালোকৰ দুখ দেখি তেওঁ তোমা-

লোকক বহুত টকা দিবলৈ এই কাকতত লিখি থৈ গৈছে। তাৰে পৰা এই দুখীয়া পৰিয়ালৰ দুখৰ অন্ত পৰিল।

---

## মেঘ আৰু বৰষুণ।

বৰষুণ নোহোৱা সময়ত একেৰাহি পানী কেইবা দিনো চোতালত ৰাখিলে সেই পানী ক্রমে ক্রমে ক্ষয় হৈ গৈ, অৱশেষত একেবাৰেই নাইকিয়া হয়। নৈ, পুখুৰি-আদিৰ পানী ৰদত তৰ পৰি যায়। আৰু এটি কথা জানিব লাগে যে, কোনো বস্তুৰে ধ্বংস নাই; অর্থাৎ, এটা বস্তুৰে হ্রাস, বৃদ্ধি বা ৰূপান্তৰ হব পাৰে, কিন্তু সি একেবাৰেই নোহোৱা হব নোৱাৰে। পানীত লোণ মিহলালে, লোণ অদৃশ্য হৈ হয়, একেবাৰেই নাইকিয়া নহয়। সেই পানী তপতাই থাকিলে আকৌ সেই লোণ ওলাই পৰিব। সেই দৰে কেৰাহি, নৈ, পুখুৰি আদিৰ পানীবো ধ্বংস নহয়। পোৱা-টেকেলিত পানী তপতাওঁতে তাৰ পানী ধোঁৱা বা বাষ্প হৈ ওপৰলৈ উৰি যায়। টেকেলিৰ

ওপৰত কিবা চেঁচা বস্তু ধৰিলে, তাত ঘামৰ দৰে পানী লাগে। ইয়াৰ দ্বাৰায় দেখা গৈছে যে, পানী তাপত সেৰেঙ্গা বা পাতল হৈ ধোঁৱা বা বাষ্প হয়, আৰু এই ধোঁৱা বা বাষ্প শীতত ঘন হৈ আকৌ পানী হয়। ধোঁৱা, ভাপ বা বাষ্প, তাপত সেৰেঙ্গা হোৱা পানীৰ বাহিৰে আন একো নহয়। যেনেকৈ পানীতকৈ তেল লঘু হোৱাত, পানীৰ ভিতৰত তেল ঢালিলে সি ওপৰলৈ ওলাই আহে; সেই দৰে পৃথিবীৰ পিঠিত থকা বতাহতকৈ ধোঁৱা বা বাষ্প লঘু হোৱাত, সি ওপৰলৈ উঠি যায়। যেতিয়া বতাহৰ ভৰ আৰু বাষ্পৰ ভৰ সমান হয়, তেতিয়া বাষ্প ওপৰলৈ উঠিব নোৱাৰে, কিন্তু বতাহৰ লগে লগে ইফাল সিফাললৈ অনেক দূৰ যাব পাৰে।

নদী, সাগৰ, সৰোবৰ আদিৰ পৰা পানী তাপত বাষ্প হৈ সদায় উৰিবই লাগিছে। হাবিত জুই লাগিলে যে ধোঁৱা দেখা যায়, সিও ৰস বা পানীৰ বাহিৰে আন একো নহয়। জাৰকালি ৰাতিপুৱা পুখুৰিৰ ওপৰত যি ধোঁৱাৰ নিচিনা বগা বস্তু ওলায়, সিও বাষ্প বা পানী মাথোন।

স্বৰূপতে কি জল, কি স্থল, সকলো ঠাইৰে পৰা পানী তাপত ধোঁৱা, ভাপ বা বাষ্প হৈ দৃশ্য বা অদৃশ্যৰূপে ওপৰলৈ উঠিবই লাগিছে। এই বাষ্প বতাহৰ লগত মিহলি হৈ তাৰ লগে লগে আকাশত উৰি ফুৰে। বতাহৰ লগত অলপ কি অধিক বাষ্প আছেই আছে। যেতিয়া এই বাষ্প আকাশত চেঁচা বতাহ লাগি ঘন আৰু চকুৰে মনিব পৰা হয়, তেতিয়া তাক মেঘ বা ডাৱৰ বোলে। বাষ্পৰ আকাৰ ধৰা পানীত বাজে মেঘ আন একো নহয়।

মেঘ বহুত ওখত থাকিব নোৱাৰে; প্ৰায়েই চাৰি মাইলৰ ওপৰে নেথাকে। কোনো মেঘ আধা মাইল ওপৰতো থাকে। মেঘ পৰ্ব্বতত থকা মানুহৰ ঘৰৰ ভিতৰতো সোমায়। ওখ পৰ্ব্বতৰ মানুহে মেঘক তলত চলাচল কৰি ফুৰা দেখে।

মেঘ কেৱল পানীৰ ক্ষুদ্ৰ কণিকা কেতবোৰ। এই কণিকাবোৰত সূৰ্য্যৰ কিৰণ পৰিলে, তাৰ নানা বৰণ হয়। এই দৰে কোনো মেঘ বগা, কোনো ৰঙ্গা, কোনো হালধীয়া, কোনো ধোঁৱা-কলীয়া ইত্যাদি। মেঘৰ গঢ়ো নানাবিধ। কোনো

মেঘ দেখিবলৈ কেঁকোৰা চুলি বা ধূনা কপাহৰ নিচিনা; কোনোৰ তলি সমান, আগ ঘূৰণীয়া; সি দেখিবলৈ উঠি যোৱা ধোঁৱাৰ নিচিনা; কোনো মেঘ তৰপাতৰপি হৈ থাকে। মেঘ দেখিবলৈ বৰ সুন্দৰ।

তলৰ বতাহতকৈ ওপৰৰ বতাহ বেচি চেঁচা। মেঘ বেচি চেঁচা বতাহত লাগিলেই, সি ক্রমে ঘন হৈ পানী হয়; আৰু এই পানী বতাহতকৈ গধূৰ হোৱাত আকাশত থাকিব নোৱাৰি পৃথিবীৰ ওপৰত পৰেহি। এই আকাশৰ পৰা পৰা পানীৰ নাম বৰষুণ। তাপত পৃথিবীৰ পানী আকাশলৈ যায়; শীতত সেই পানী আকৌ পৃথিবীলৈ ঘূৰি আহে; পৃথিবীত বা তাৰ অলপ ওপৰত বাষ্প ঘন হৈ পানী হলে তাক নীয়ৰ বোলে।

বায়ুৰ লগত মেঘৰ বৰ সম্বন্ধ। বায়ু যেনি চলে, মেঘো সেই পিনে চলে। তপত বায়ু পালে মেঘ বৰ পাতল আৰু বহুৎ ঠাইত ব্যাপ্ত হয়, আৰু সি ওপৰলৈ উঠিবলৈ ধৰে। শীতল বায়ুৰ লগত মেঘ ঘন আৰু অলপ ঠাই জোৰা হয়। কিন্তু বৰষুণ হোৱাৰ পূৰ্ব্বে তাত যদি কোনোৱা

ফালৰ পৰা তপত বতাহ লাগে, সি আকৌ পাতল হয়; আৰু কেতিয়াবা একেবাৰেই অদৃশ্য হয়। এই কাৰণে কেতিয়াবা মেঘাবৃত আকাশো হঠাৎ নির্ম্মল হয়, আৰু নির্ম্মল আকাশো মেঘাবৃত হৈ বৰষুণ পৰিবলৈ ধৰে। পুৱাগধূলি বতাহ শীতল থকাত বেচি ডাৱৰ হয়, কিন্তু বতাহ তপত থকাত দুপৰীয়া মেঘ তাকৰ। জহকালি তাপ বেচি হোৱাত পৃথিবীৰ পৰা বেচি বাষ্প উঠে; এই কাৰণে তেতিয়া বৰষুণ বেচি। জাৰকালি ইয়াৰ বিপৰীত। চেঁচা দেশতকৈ তপত দেশত বৰষুণ বেচি। সাগৰৰ ওচৰৰ ঠাইত বৰষুণ বেচি; কিয়নো সাগৰৰ পৰা বেচিকৈ বাষ্প উঠে। মৰু-ভূমিত বাষ্পও নাই, প্ৰায় বৰষুণো নাই। কোনো কোনো দেশত বৰষুণ হোৱা এটা অদ্ভুত ঘটনা। পৰ্ব্বতৰ টিংবোৰ চেঁচা; তাতে যি মেঘ বা বাষ্প বতাহত উৰি যায়, সি জাৰত ঘন হৈ বৰষুণ হয়। এই নিমিত্তে পৰ্ব্বততো বৰষুণ বেচি। যি দেশ সাগৰৰ পৰা দূৰৈ, তাত বৰষুণ কম। আমাৰ দেশৰ দক্ষিণ আৰু পশ্চিম ফালে সাগৰ। বাৰিষা আৰু জহকালি পছোৱা বতাহৰ লগত সাগৰৰ

পৰা সৰহকৈ বাষ্প বা মেঘ আছে; এই কাৰণে সেই সময়ত বৰষুণ বেছি। কিন্তু যেতিয়া পৰ্ব্বতৰ ফালৰ পৰা কুকুৰা বতাহ আছে, তেতিয়া তাৰ লগত বাষ্প বা মেঘ প্ৰায় নাহে। এই কাৰণে তেতিয়া প্ৰায় বৰষুণো নহয়।

বৰষুণৰ লগত কেতিয়াবা কেতিয়াবা শিলৰ নিচিনা বগা বগা গোটা বস্তু পৰে। ইও পানীৰ বাহিৰে আন একো নহয়। যেতিয়া বৰষুণ ওপৰৰ পৰা বেগাই আহি থাকে, তেতিয়া যদি সি এতৰপ বৰ চেঁচা বতাহৰ ভিতৰেদি আহে, তেনেহলে সেই চেঁচা বতাহে তাক গোট বন্ধায়। তেতিয়া সি কপাহগুটি বা শিলগুটিৰ নিচিনা হৈ পৰেহি। ইয়াৰ নাম বৰষুণৰ শিল। পৃথিবীৰ তাপ লাগি সেই শিল পমি আকৌ পানী হয়।

ওপৰত লিখা কথাৰ পৰা দেখা যায় যে, জল তিনি অৱস্থাত থাকে। প্ৰথম, তৰল বা জুলীয়া অৱস্থা; যেনে—নৈ, পুখুৰি-আদিৰ পানী। দ্বিতীয়, বায়ুময় অৱস্থা; যেনে—বাষ্প, ধোঁৱা। আৰু তৃতীয়, কঠিন অৱস্থা; যেনে—বৰষুণৰ শিল। যিবিলাক দেশত জাৰ বৰ বেচি, সেই বিলাক দেশৰ

নদী সাগৰ আৰু পুখুৰিৰ পানী জাৰকালি জাৰত প্ৰায়েই গোট বান্ধে; আৰু তাৰ ওপৰেদি গাড়ী ঘোঁৰা আৰু গৰুমহে অহাযোৱা কৰে। তাৰ মানুহে সেই গোটা পানী সিজাই জুলীয়া কৰি ব্যৱহাৰ কৰে।

৪২২৯/অ:

পানী জগতৰ বৰ উপকাৰী। এই এটা বস্তুতে ঈশ্বৰৰ কিমান দয়া আৰু মহিমা সোমাই আছে, তাক ভাবিলে বৰ বিস্ময় হব লাগে। পানী নহলে প্ৰাণী জীব নোৱাৰে, উদ্ভিদেও গজিব আৰু বাঢ়িব নোৱাৰে। সি নোহোৱা হলে জগৎ মৰুভূমি হলহেঁতেন। এই কাৰণে ঈশ্বৰে স্থলতকৈ জল তিনি গুণ বেচি কৰি দিছে, আৰু অদ্ভুত কৌশলেৰে প্ৰায় সকলো ঠাইতে সকলো সময়তে তাক যোগাব লাগিছে। সাগৰ পানীৰ ভঁড়াল। তাপত ইয়াৰ কিছুমান পানী বাষ্প হৈ আকাশলৈ উঠিছে, আকৌ তাত চেঁচা বতাহ লাগি সেই বাষ্প পানী হৈ পৰ্ব্বত, নদী, সৰোবৰ, হাবি, পথাৰ, সকলো ঠাইতে পৰিছে, আৰু জগতৰ নানা উপকাৰ সাধি আকৌ সাগৰলৈকে বৈ গৈছে। সাগৰৰ পৰা আকৌ সি বাষ্প হৈ উঠিছে।

এই; দবে জলে ঈশ্বৰৰ অদ্ভূত কৌশলত ঘুৰি ফুৰি সদায় উপকাৰ কৰিব লাগিছে।

---

## উট।

উট এটা ডাঙ্গৰ চাৰিঠেঙ্গীয়া জন্তু। ই বৰ দীঘল আৰু দেখিবলৈ অশুৱনী। কিন্তু সি মানুহৰ বৰ লাগতীয়াল; আৰু তাৰ শৰীৰো কামৰ উপযোগী।

আৰব, আফ্রিকা-আদি দেশত বৰ বৰ মৰুভূমি আছে। মৰুভূমিত পানী নাই, ছাঁ নাই, ঘৰ নাই, উদ্ভিদ নাই; আছে কেৱল তপত বালি, তপত শিল, তপত বতাহ আৰু জুইযেন ৰ'দ। সি দেখোঁতেই ভয়লগা। এই মৰুভূমিত উটৰ বাহিৰে যাবৰ কাৰো সাধ্য নাই। তাত উটেই মানুহৰ প্রধান সম্বল। সেয়ে নহলে তাৰ মানুহ জীয়ন্ততে মৰা। এই কাৰণে আৰবৰ মানুহে উটক "মৰুভূমিৰ জাহাজ" বোলে আৰু তাক পবিত্র জন্তু বুলি ভাবে। ঘোঁৰাই গৰাকীক পিঠিত তুলি নিয়ে, গৰুৱে গাখীৰ দিয়ে আৰু মেৰছাগলিয়ে কাপোৰ বৰলৈ নোম যোগায়। সিহঁত

তিনিও মিলি অকল উটৰ সমান হব নোৱাৰে। উটৰ গিৰীহঁতে তাৰ পিঠিত উঠে, তাৰ গাখীৰ আৰু মঙ্গহ খায়, তাৰ গাৰ নোমেৰে কাপোৰ বৈ লয় আৰু বলৱন্ত শত্রু দেখিলে তাৰ পিঠিত উঠি মৰুভূমিৰ মাজলৈ পলাই যায়—শত্রুৱে তালৈ যাব নোৱাৰে।

উটে তপত মৰুভূমিত সাত-আঠ দিন পানী নোখোৱাকৈ যাব পাৰে। সি নোখোৱাকৈও বা অলপ আহাৰ কৰি কেইবা দিনো থাকিব পাৰে। সি তিনি চাৰি মাইল দূৰৰে পৰা পানীৰ গোন্ধ পায় আৰু পানী থকা পিনে বেগ দিয়ে। সি পানীবোৰ আগেয়ে ঘোদালি বোকাৰে ঘন কৰে, তাৰ পাচত খায়; কিয়নো ঘন পানী বেগতে জীণ নেযায় আৰু ঘাম হৈ বাহিৰলৈ নোলায় আৰু সি জানে যে মৰুভূমিত বেগতে পানী পোৱা টান। উটৰ পেটত এটা জোলোঙ্গা আছে, পেটলৈ খোৱা পানীৰ বাহিৰেও সি কিছুমান পানী এই জোলোঙ্গাত সুমাই ৰাখে আৰু পিয়াহ লাগিলে তাকে উলিয়াই খায়।

দেখাঁ, ঈশ্বৰৰ কেনে দয়া আৰু মহিমা! উটে

মৰুভূমিত যাওঁতে অনেক দিন পানী নেপায়, আৰু এটা পেটত যিমান পানী ধৰে, সিমান পানীয়ে তাৰ প্ৰাণ ৰাখিব নোৱাৰে, এই কাৰণে ঈশ্বৰে তাক দুটা পেট, দূৰতে পানীৰ গোন্ধ পোৱা শক্তি আৰু পানী ঘোলাকৈ খোৱা স্বভাৱ দিছে! তাৰ পিঠিত এটা কি দুটা কুঁজ বা চুট থাকে, সি তেলেৰে ভৰা। সি যেতিয়া অনেক দিন অনাহাৰে থাকে, তেতিয়া তেল কুঁজৰ পৰা খহি আহি তেজৰ লগত মিহলি হৈ তাৰ জীৱন ৰক্ষা কৰে। উটৰ ভৰিৰ তলুৱা শোপোকা আৰু সাৰ নথকা; এই কাৰণেই সি মৰুভূমিত দুখ নোপোৱাকৈ ফুৰিব পাৰে।

উটে দহ বাৰ মোণ ভাৰ বয়। ভাৰ তোলা আৰু নমোৱাৰ সময়ত সি হাতীৰ দৰে বহে। গৰাকীয়ে বাটৰ সকলো সম্বল তাৰ পিঠিতে তুলি নিয়ে। উটে ঘাঁহ খায়। সি বৰ জাতি আৰু দুখ সহিব পৰা জন্তু। সি চাৰি পাঁচ হাত ওখ।

---

## ছাত্ৰৰ কৰ্ত্তব্য কাম—ধৰম।

আজিকালি আমাৰ দেশত বহুত ইস্কুল আৰু পঢ়াশালী হোৱাত সেই বিলাকত অলেখ মানুহে বিদ্যা শিকিছে। কিন্তু জ্ঞান, ধৰম, সুখ আৰু জীৱনৰ সদ্ব্যৱহাৰ শিকাই যদি বিদ্যাৰ ঘাই ফল হয়, তেনেহলে দেখা যায় যে, অধিকখিনি মানুহৰে বিদ্যা-শিক্ষা বিফল হৈছে। ইয়াৰ কাৰণ এই যে, তেওঁলোকৰ শিক্ষা সমূলি বেয়া আৰু অসম্পূৰ্ণ। আজিকালি বিদ্যা-শিক্ষা বুলিলে লেখা, পঢ়া আৰু অঙ্ক কৰা। ইয়াৰে অলপমান শিকি বহুৎ মানুহ গপাল আৰু ধিতিঙ্গা হয়, আৰু সুকোমল শৰীৰ "ডাঙ্গৰীয়া" বোলাই এলাহত কাল নিয়ায়। সামান্য কাম পাবৰ কাৰণে তেওঁলোকে লেখা-পঢ়া শিকে, কাম পাই বা পাবলৈ আশা কৰি বাপেক-ককাকৰ বৃত্তি এৰে, আৰু স্বাধীন ব্যৱসায়লৈ পিঠি দি দেশৰ কৃষি বাণিজ্য আদিৰ উন্নতিৰ প্ৰতিবন্ধক হয়। বহুতে কামো নেপাই নিৰুপায় হৈ ফুৰে আৰু ভাত-কাপোৰৰ অভাৱত

নানা দুঃখ সহে ; তত্রাচ স্বাধীন কাম কৰি খাবলৈ লাজ পায়। ইয়াৰ পৰা দেশৰ বৰ হানি হৈছে।

বিদ্যা বৰ উত্তম গুণ। বিদ্যাৰ সমান বল নাই। ই সৰুক বৰ কৰে, দুখীক সুখী কৰে, পাপীক ধৰমী কৰে। বিদ্যা পৰম বন্ধু। যাৰ বিদ্যা আছে, তেওঁ দেৱতা ; যাৰ নাই, সি পশু। কিন্তু এই বিদ্যা ওপৰত কোৱা লেখা, পঢ়া আৰু অঙ্ক কৰাই নহয়। বিদ্যা সম্পূৰ্ণৰূপে আৰু সুনিয়মেৰে শিকা হলে হে তাৰ পৰা উত্তম ফল পোৱা যায়। কুশিক্ষা আৰু অলপ বিদ্যাৰ পৰা বহুৎ অনিষ্ট হে হয়। বিদ্যা নো কেতিয়া সম্পূৰ্ণ আৰু সুনিয়-মেৰে শিকা হয়, এই কথা এই ক্ষুদ্ৰ পুথিত বাহুল্যকৈ লিখা অসাধ্য ; কিন্তু যিবিলাক ছাত্ৰৰ নিমিত্তে ইয়াক লিখা হৈছে, তেওঁলোকৰ শক্তি আৰু অৱস্থালৈ চাই, এই বিষয়ত তেওঁলোকৰ যাই কৰ্ত্তব্য কামবোৰৰ কথা তলত মুঠ মুঠকৈ কোৱা হল।

সকলো মানুহে সুখ পাবলৈ বাঞ্ছা কৰে আৰু এই সুখ পোৱাৰ আশাই মানুহৰ সকলো কাম আৰু চেষ্টাৰ মূল। আচল সুখ কেৱল ধৰমৰ

পৰা হে হয়। ধৰমে মানুহক কেৱল পৰকালত সুখ দিয়ে, এনে নহয়; ইহকালৰ সুখ আৰু উন্নতিও ইয়াৰ পৰাই হে হয়। যি পাপ কৰে বা অন্যায় উপায়েৰে সুখ আৰু ধন পাবলৈ পুৰুষাৰ্থ কৰে, তাৰ সেই পুৰুষাৰ্থ অন্তত সমূলি বিফল হয়। চোৰ, ডাকাইত আৰু পাপীৰ ধনী কোনো নাই, আৰু সিহঁতে কেতিয়াও সুখী হবও নোৱাৰে। ধৰমী মানুহৰ মন দৃঢ় আৰু ওখ। আন মানুহ অলপ দুখবেজাৰতে ব্যাকুল হয়, ধাৰ্ম্মিক মানুহে ওখ পৰ্ব্বতৰ দৰে সকলো দুখ-বিঘিনি অনায়াসে সহে আৰু মনক নিৰ্ম্মল আকাশৰ দৰে নিৰ্ম্মল আৰু প্ৰফুল্ল ৰাখে। ধন নহলেও ধৰমী মানুহে মনত বেজাৰ নকৰি সদায় সন্তোষেৰে থাকে; আৰু মনৰ সন্তোষেই সকলোতকৈ উত্তম সুখ। ধৰমৰ সমান স্থায়ী আৰু ডাঙৰ বস্তু একো নাই। এই সংসাৰত সকলো মানুহ দুখ বিপদত পৰে; কাৰো জীৱন সদায় বসন্তত নেযায়—জাৰ, জহ, বৰষুণ আছেই আছে। ধৰম দুখ-বিপদৰ শান্তিজল—জাৰ, জহ, বৰষুণত তৰণৰ উপায়।

এতেকে ছাত্ৰবিলাকৰ প্ৰথম কৰ্ত্তব্য কাম— ধৰম, ধৰম শিকা আৰু ধৰমৰ নিয়ম পলা। সুখে, দুখে, সম্পদে, বিপদে সদায় ধৰমৰ পাছ নেৰিবা। ধৰমৰ কৱচেৰে সকুকালৰে পৰা মনক অভেদ্য কৰি লোৱাঁ, যেন সংসাৰৰ লোভ, মোহ, হিংসা-আদি অস্ত্ৰ তাত সোমাব নোৱাৰে। যদি সকলো মানুহ ধৰম আৰু নীতিৰ পথত চলে, তেনেহলে এই পৃথিবী সুখময় স্বৰ্গ হয়। যেতিয়া পৃথিবীত অলপো ধৰম আৰু নীতি নেথাকিব, তেতিয়া মানুহৰ সমাজো নষ্ট হব। যি যিমান ধৰম লঙ্ঘন কৰে, সি সিমান পৰৰ আৰু নিজৰো অপকাৰ কৰে। ধৰম আৰু নীতিয়েই সুখ আৰু সমাজৰ ভেটি। এতেকে দুইৰো আশ্ৰয় লৈ পাপক ঘিণ আৰু ত্যাগ কৰিবলৈ অভ্যাস কৰাঁ। মনত ৰাখিবাঁ, সকলোৱেই এদিন নহয় এদিন মৰিব লাগিবই লাগিব। ইহকালৰ ধনবস্তু তোমাৰ লগত পৰকাললৈ নেযায়, অকল পাপপুণ্য হে যাব। এই সংসাৰৰ সুখ সামান্য আৰু অলপদিনীয়া। এই কাৰণে ধৰম আৰু ঈশ্বৰত আত্ম-সমৰ্পণ কৰাঁ।

---

## ছাতৰৰ কৰ্ত্তব্য কাম—স্বাস্থ্য।

ছাত্রবিলাকে যেনেকৈ ধৰম শিকিব আৰু পালিব লাগে, সেই দৰে শৰীৰ সুস্থ আৰু চিকুণ ৰখাৰ নিয়মো শিকিব আৰু পালিব লাগে। কেনেকৈ গা ভালে থাকে, গা বেয়া হলে তাক কেনেকৈ ভাল কৰিব লাগে, কি বস্তু কেনেকৈ খালে গা চিকুণ হয়, ইত্যাদি বিষয় জনা আৰু সেই মতে চলা ছাতৰৰ কৰ্ত্তব্য কাম। গা ৰুগীয়া হলে, বিদ্যা-শিকা, খেতি-বেপাৰ কৰা আদি সংসাৰৰ কোনো কাম ভালকৈ কৰিব নোৱাৰি। যাৰ শৰীৰ সুস্থ আৰু পুষ্ট, সি যত্ন কৰিলে প্ৰায় সকলো কাম সাধিব পাৰে; আৰু সংসাৰৰ সকলো বিষয়তে তাৰ সুখ-সন্তোষ। ৰুগীয়া মানুহৰ সংসাৰ বিহ,—শোৱা-খোৱা, ধন-বস্তু, পুত্র-ভাৰ্য্যা, একোতে তাৰ সুখ সন্তোষ নাই। ৰুগীয়াৰ মনৰ বুদ্ধি, সোঁৱৰণ-শক্তি আদি তীক্ষ্ণ গুণবিলাক ক্ৰমে ভোতা আৰু নষ্ট হৈ যায়।

বহুৎ মানুহৰ এটা বিশ্বাস আছে বোলে, স্বাস্থ্য-বিষয়ত মানুহৰ একো হাত নাই,—অৰ্থাৎ

মানুহ যে বলী, দুৰ্ব্বলী, সুস্থ, ৰুগীয়া, বুঢ়াকালত মৰা আৰু অকালত মৰা হয়, তাক ঈশ্বৰে কৰে, বা সেয়ে পূৰ্ব্বেই কপালত লেখা থাকে, তাক কোনেও খণ্ডাব নোৱাৰে। কিন্তু এই বিশ্বাস সঁচা নহয়। স্বাস্থ্যৰ কেতবিলাক নিয়ম আছে, সেইবিলাক পালিলে মানুহ বলী, পুষ্ট, নিৰোগী আৰু দীৰ্ঘায়ু হয়; আৰু ভঙ্গ কৰিলে নিৰ্ব্বলী, ক্ষীণ, ৰুগীয়া আৰু অল্পায়ু হয়। ই পৰীক্ষা কৰি চোৱা কথা। যি যিমান নিয়মত থাকে, তাৰ শৰীৰ সিমান সুস্থ। এই কাৰণে স্বাস্থ্যৰ ঘাই নিয়ম কিছুমান তলত লিখা গল।

বতাহ, জীৱন আৰু স্বাস্থ্যৰ পক্ষে যেনে লাগতীয়াল, এনে লাগতীয়াল বস্তু আন একো নাই। নিৰ্ম্মল বতাহত গা সুস্থ থাকে, বেয়া বতাহত ৰোগ হয়। ঘৰৰ ভিতৰলৈ সদায় পৰিষ্কাৰ বতাহ গৈ থাকিব লাগে। এই কাৰণে ঘৰৰ বেৰত খিলিকি-দুৱাৰ ৰখা উচিত; আৰু ধাপত সৰহকৈ বাঁহ-কাঠ নুৰুই, বতাহ অহা যোৱা বাট মুকলিকৈ ৰাখিব লাগে। সেই দৰে ৰ'দ আৰু পোহৰৰ বাটো মুকলি থকা উচিত। বতাহ নলগা, ৰ'দ নপৰা, জেকা, দুৰ্গন্ধ

আৰু অপৰিষ্কৃত ঠাইত শৰীৰ কেতিয়াও সুস্থ থাকিব নোৱাৰে। মুকলি ঠাইৰ বতাহত যিমান থকা যায়, সিমান স্বাস্থ্যৰ পক্ষে ভাল। ঘৰৰ ওচৰত গোবৰ-জাবৰ আদি পেলালে বতাহ বেয়া হয়।

ভাল পানীয়ে গা ভালে ৰাখে আৰু বেয়া পানীয়ে গা বেয়া কৰে। বহুত ৰোগৰ কাৰণ কেৱল অপৰিষ্কৃত পানী। তেনে পানী খোৱা বা তাৰে গা ধোৱা বৰ অপকাৰী। সোঁত থকা নৈৰ পানী ভাল। পানী ছেকি খাব লাগে।

সহজে জীণ যোৱা আৰু পুষ্টিকৰ বস্তু খোৱা উচিত। কণী, গাখীৰ, ঘিঁউ, মঙ্গহ, আটাগুৰি এই কেইটা বৰ পুষ্টিকাৰক আৰু বলকাৰক খাদ্য। মাহ, আলু আদি পাচলি সলাই সলাই খোৱা যুগুত। ভাতমাছতকৈ আটামঙ্গহত বেছি বল হয়। খোৱাবস্তু ভালকৈ চোবাই গিলিব লাগে। অধিক ভোজন অপকাৰী। গেলা আৰু বাহি বস্তু খোৱা ভাল নহয়।

জিৰণি আৰু টোপনি শৰীৰৰ বৰ উপকাৰী। বেছি পৰিশ্ৰম কৰিলে গা আৰু মন দুইৰো ভাগৰ লাগে; তেতিয়া জিৰাব বা শুব লাগে। প্ৰতি-

দিনে ছয়, সাত বা আঠ ঘণ্টা শুব লাগে। দিনত শোৱা অপকাৰী। সদায় একে সময়তে শোৱা আৰু একে সময়তে উঠা যুগুত। খোৱা, শোৱা, পঢ়া আদি কৰি সকলো কামতে সময় নিৰ্দ্দিষ্ট থাকিব লাগে।

সকলো বস্তু পৰিষ্কাৰ আৰু দেখিবলৈ চিকুণ হব লাগে। প্ৰতিদিনে ভালকৈ ঘঁহি গা ধোৱা ভাল। খোৱা ভাত, পিয়া পানী, পিন্ধা কাপোৰ, থকা ঘৰবাৰী, সকলো চাফ-চিকুণ হব লাগে। নিতৌ দাঁত মাজি পৰিষ্কাৰকৈ নেৰাখিলে সি সোনকালে সৰি যায়; আৰু মুখ গোন্ধায়।

নিয়মিতৰূপে শাৰীৰিক পৰিশ্ৰম কৰিলে গা বলী, আঁটিল আৰু মোটোহা হয়। এনে পৰিশ্ৰম কৰা মানুহ বহুৎ কাল জীয়াই থাকে আৰু তাক অলপীয়া দুখে বা ৰোগে একো কৰিব নোৱাৰে। ছাত্ৰবিলাকে লৰা, জঁপিওৱা, ঢোপ খেলা, কোমোৰা ছিঙ্গা, সাঁতোৰা, গছত উঠা, খৰ মৰা, ঘোঁৰাত উঠা আদি কৰি ব্যায়াম আৰু ধেমালি কৰিলে, তেওঁলোকৰ গাত বল আৰু স্ফূৰ্ত্তি হব, শৰীৰ দৃঢ়, আৰু পৰিশ্ৰম সহিব পৰা

হব, ভোক আৰু জীণ নিওৱা শক্তি বাঢ়িব; আৰু এই দৰে স্বাস্থ্যৰ উন্নতি হোৱাত বিদ্যাশিক্ষা আদিৰো উন্নতি হব পাৰিব। হাৱা-খোৱা অৰ্থাৎ মুকলি বতাহত খোজ কাঢ়ি ফুৰা বৰ উপকাৰী কাম। হাল বোৱা, কোৰ ধৰা, কাঠ কটা, বাঢ়ৈ কাম ইত্যাদি কামো জানিব আৰু অভ্যাস কৰিব লাগে। আমাৰ ভালেমান লেখাপঢ়া জনা মানুহে হাল বোৱা, কাঠ কটা আদি শাৰীৰিক কাম কৰিবলৈ লাজ পায়, কিন্তু এইটো তেওঁলোকৰ ভ্ৰম। এই ভ্ৰমৰ নিমিত্তে আমাৰ দেশৰ ভালেমান মানুহ দুখীয়া, ঢেঁৰা, এলেহুৱা আৰু পৰৰ মুখলৈ চোৱা। স্ফূৰ্ত্তি, সাহস, আত্ম-নিৰ্ভৰ তেওঁলোকৰ নাই। ইংলণ্ড আদি ভাল দেশৰ মানুহৰ স্বভাৱ ইয়াৰ বিপৰীত। তেওঁলোক উৎসাহী, পৰিশ্ৰমী, বলী, দৃঢ় আৰু সাহীয়াল। তেওঁলোকৰ ডাঙৰ মানুহেও সদায় কোৰ ধৰা, কাঠ কটা, ব্যায়াম, ধেমালি আদি শাৰীৰিক কাম কৰি থাকে—অলপো লাজ নেপায়। কাঠ কটা, কোৰ ধৰা আদি কামৰ দ্বাৰায় কেৱল শৰীৰ সুস্থ আৰু বলিষ্ঠ হয়, এনে নহয়, ধনবস্তুৰো অভাৱ গুচে।

শৰীৰ সুস্থ ৰাখিব লাগিলে, মন প্ৰফুল্ল আৰু চিন্তাভাবনা নোহোৱাকৈ ৰাখিব লাগে। যাৰ মন ভয়, চিন্তা, অনুতাপ, ক্ৰোধ, হিংসা আদিত ব্যাকুল, পাপৰ দংশনত যাৰ ৰাতিও টোপনি নাই, তাৰ শৰীৰ সুস্থ আৰু সবল থকা অসম্ভৱ। ধাৰ্ম্মিক লোক নিৰোগী আৰু দীৰ্ঘজীবী হয়। দৰৱত বাজে কেতিয়াও ভাং, ধঁপাত, কানি আৰু ফটিকা নেখাবা। এইবোৰৰ পৰা ৰোগ, ৰাগি, এলাহ, দুৰ্ব্বলতা আৰু দৰিদ্ৰতাও হয়।

---

## ছাতৰৰ কৰ্ত্তব্য কাম—
## নানা বিদ্যা-শিক্ষা।

ইস্কুললৈ কি অভিপ্ৰায়ে আহিছোঁ, এই কথা তুমি ভালকৈ গমি চোৱা উচিত। সেই অভিপ্ৰায় এইয়ে হব পায়—যে তোমাৰ বহুৎ বিদ্যা হব, বহুৎ ধন, মান আৰু যশস্যা বাঢ়িব, তোমাৰ পিতৃ-মাতৃ, ভাই-বন্ধু, দেশৰ মানুহ সকলোৱে তোমাৰ পৰা সুখসন্তোষ পাব, তুমি সৰ্ব্বগুণী হৈ

ইহকাল আৰু পৰকালতো অপাৰ সুখ লভিবা; তোমাৰ মৃত্যুৰ পাছতো যেন তোমাৰ নাম পৃথিবীত যুগমীয়া আৰু প্ৰখ্যাত হৈ থাকে। এই অভিপ্ৰায় সিদ্ধ কৰা বৰ টান; কিন্তু পুৰুষাৰ্থ কৰিলে মানুহে সাধিব নোৱাৰে, এনে কাম একো নাই। পূৰ্ব্বকালত ঋষিসকলে কোনো মহৎ অভিপ্ৰায় সিদ্ধি কৰিবৰ কাৰণে তপস্যা কৰাৰ কথা শুনিছা। ছাতৰৰ কামো এবিধ তপস্যা। যি এই তপস্যা কৰিব নোখোজে, ইস্কুলক ধেমালি আৰু ধিতিঙ্গালিৰ ঠাই বুলি ভাবে, তাৰ পক্ষে ইস্কুল এৰাই ভাল; ইয়াৰ পৰা তাৰ বৰ উপকাৰ নহয়। কিন্তু যত্ন আৰু পৰিশ্ৰম কৰিলে, সকলোৰে বাঞ্ছা অলপ বা অধিককৈ পূৰণ হব, কোনো নিৰাশ হব নেলাগে। শিক্ষাৰ ঘাই গুৰি হৈছে—বিদ্যালৈ ডাঙ্গৰ হেপাহ—মনে মনে প্ৰতিজ্ঞা, 'মই সকলো বিদ্যাত পাৰ্গত হম।' যাৰ এনে দৃঢ় প্ৰতিজ্ঞা নাই, যি অলপ লেখাপঢ়া শিকি এটা সামান্য কাম পাবলৈ হে হাবিলাষ কৰে, তাৰ বিদ্যা প্ৰায়েই নহয়। এতেকে প্ৰত্যেক ছাতৰৰ মনত দৃঢ় প্ৰতিজ্ঞা আৰু ডাঙ্গৰ জ্ঞান-পিপাসা হব লাগে।

তোমাৰ কিতাপবোৰ বৰকৈ মন দি পঢ়িবা, সকলো কথা সংশয় মাৰি বুজিবা আৰু যি কিতাপ বা যি বিষয় শিকা, তাত ভালকৈ পাৰ্গত নোহোৱামানে নেৰিবা। পঢ়াৰ সময়ত আন একোলৈকে কাণ নকৰিবা। পঢ়া কথাবোৰ ছুবাৰ এবাৰ লিখিবা; তেনেহলে সেইবোৰ বেগেতে মনত থকা হব। আমি ইস্কুলত মুঠেই অলপমান কিতাপ হে পঢ়িবলৈ পাওঁ। তাত বাজে যিমান পৰা যায় সিমান আন কিতাপ আৰু বাতৰি কাকত আদি পঢ়িব লাগে। যি যিমান বেছি কিতাপ আদি পঢ়ে, তেওঁৰ সিমান জ্ঞান আৰু বুদ্ধি বেছি হয়। কেৱল কিতাপৰ পাত লুটিয়ালেই পঢ়া নহয়; তাক উত্তমৰূপে বুজিব আৰু আলোচনা কৰিব লাগে। পঢ়োঁতে পোৱা সাৰ কথাবোৰৰ টোকা লিখি ৰখা যুগুত। পঢ়া ভাল হৈছে নে নাই, ইয়াক সদায় পৰীক্ষা কৰি চাব লাগে। পঢ়াৰ সময় বন্ধা থকা ভাল। সময় বৰ ডাঙ্গৰ বস্তু। যি ইয়াৰ সদ্ব্যৱহাৰ নকৰে বা হেলা আৰু কুচৰ্চ্চাত সময় ব্যৰ্থ নিয়ায়, সি মূৰ্খ আৰু দৰিদ্ৰ হৈ জীৱনত বহুত্ ছুখবেজাৰ

পায়। এতেকে এই লৰাকালটো যেন ব্যৰ্থ নেযায়, তাৰ নিমিত্তে একান্তমনে বিদ্যা শিকিবলৈ লাগোঁ।

জ্ঞানতকৈ ডাঙ্গৰ বস্তু নাই। যি আচল জ্ঞানী, তেওঁ দেৱতা। এই জ্ঞান কিতাপ পঢ়ি যিমান শিকিব পাৰি, সিমান আন কোনো উপায়েৰে নোৱাৰি। কিতাপ আমাৰ দিব্য চকু। হাজাৰ হাজাৰ বছৰৰ আগেয়ে কি ঘটিছিল, ভিন্ন ভিন্ন দেশত কি আছে বা ঘটিছে, কোন্ সময়ত কোন ডাঙ্গৰ লোক আছিল, আকাশৰ গ্ৰহ নক্ষত্ৰ আৰু পৃথিবীৰ চেতন, অচেতন, উদ্ভিদ আদি কৰি সকলো বস্তুৰ বিৱৰণ, ইত্যাদি ভূত, ভৱিষ্যৎ, বৰ্ত্তমান, নতুন, অদ্ভুত বা মনোহৰ বিষয় অকল কিতাপতে পোৱা যায়। কিতাপৰ সমান ভাল লগৰীয়াও নাই। এখন এখন কিতাপ এজন এজন লগৰীয়া। আমি যিমান বেছি কিতাপ পঢ়োঁ, যিমান বেছি ভাষা শিকোঁ, সিমান আমাৰ লগৰীয়া বা বন্ধু বেছি হয়। তেওঁলোকৰ পুথিৰ দ্বাৰাই ব্যাস, বাল্মীকি, কালিদাসো আমাৰ লগৰীয়া। কিতাপ পঢ়াৰ সমান আনন্দ কিহত আছে? যি

হাজাৰ কিতাপ পঢ়ি এই অনুপম সুখৰ সোৱাদ পাইছে, তেওঁ তাক কেতিয়াও এৰিব বা পাহৰিব নোৱাৰে। ছাত্ৰবিলাকৰ কৰ্ত্তব্য, তেওঁলোকে যেন পাৰেমানে সৰহকৈ পুথি আদি পঢ়ি এই সুখৰ সোৱাদ লয়; আৰু ইস্কুল এৰাৰ পাছতো এই পঢ়াৰ অভ্যাসটো সদায় একে দৰে চলাই থাকে। কিতাপৰ পোক সংসাৰত মহা সুখী। কোনো কোনো কিতাপৰ পোকৰ পঢ়াত এনেহে ৰাগি, যে কেতিয়াবা পঢ়োঁতে পঢ়োঁতে তেওঁলোকে ভাতপানী খাবলৈও পাহৰি যায়, ঘোঁৰাৰ পিঠিতো কিতাপ পঢ়ে, আৰু শৌচ-ঘৰলৈ যাওঁতেও হাতত বাতৰি কাকত লৈহে যায়। এওঁ লোকেই আচল বিদ্যাৰ তপস্বী। তুমিও এনে তপস্বী হোৱাঁ। এনে তপস্বী কিছুমান সৰহকৈ হলেই এই দেশৰ উন্নতি হব।

যেনেকৈ নানা কিতাপ পঢ়িব লাগে, সেই দৰে নানা বিদ্যা আৰু নানা ভাষাও শিকিব লাগে। সাহিত্য, ব্যাকৰণ, গণিত, ভূগোল, জ্যোতিষ, ইতিহাস, প্ৰাণী-বিদ্যা, উদ্ভিদ-বিদ্যা, চিকিৎসা-বিদ্যা আদি কৰি নানা বিদ্যাত বাজেও, গান-

গোৱা, চিত্ৰ-অঁকা, বক্তৃতা-দিয়া, পুথি ৰচনা কৰা, খেতি, বেপাৰ, কাঠবাঁহৰ কাম, আইন, আচাৰ-ব্যৱহাৰ আদি কৰি মানুহৰ সকলো লাগতীয়াল বিদ্যা আৰু কাৰ্য্য নিজৰ শক্তি আৰু সুবিধা অনুসাৰে অলপ বা অধিক পৰিমাণে শিকা অতি আৱশ্যক। ইয়াকে কৰিলে তোমাৰ ইস্কুললৈ অহা অভিপ্ৰায় সিদ্ধ হব আৰু তুমি সুখ, ঐশ্বৰ্য্য, কীৰ্ত্তি আদি অনায়াসে পাব পাৰিবা।

তোমাক বহুত বিদ্যা শিকিবলৈ কোৱাত আচৰিত নহবা, কিয়নো মানুহৰ অসাধ্য একো নাই, আৰু কিছুমান মানুহে যি কাম কৰিছে, আন মানুহেও পুৰুষাৰ্থ কৰিলে তাক কৰিব পাৰে। যেতিয়া বিদ্যা আছে, বিদ্যা শিকাৰ উপায় আৰু শক্তি আছে, তেতিয়া হেলা কৰি মূৰ্খ হোৱাতকৈ বেছি লাজৰ কথা আৰু কি আছে? অৱশ্যে সকলো বিদ্যাতে সমানে পাৰ্গত হোৱা টান; সেই কাৰণে গোটাচেৰেক বিদ্যা সম্পূৰ্ণৰূপে শিকি বাকীবিলাক অলপ শিকিব পাৰিলেও ভাল।

---

## ছাত্ৰৰ কৰ্ত্তব্য কাম—
## সজ চৰিত্ৰ আৰু সজ আচৰণ।

মানুহৰ সজ চৰিত্ৰ শুৱনী মুখতকৈও মনোহৰ। চৰিত্ৰৰ বল মানুহে বহুত কাম সাধে আৰু বহুত জয় কৰে। সুচৰিত্ৰ মানুহক সকলোৱে শলাগে, সকলোৱে বিশ্বাস আৰু সহায় কৰে। কিন্তু যাৰ চৰিত্ৰ বেয়া, তাক কোনেও ভাল নেপায়; আৰু সি দুখত পৰিলেও তাক কোনেও পুত্তৌ নকৰে। এই কাৰণে দুষ্ট মানুহে কেতিয়াও সন্ত মানুহৰ সমান উন্নতি কৰিব নোৱাৰে।

অভ্যাসৰ দ্বাৰাই মানুহে কঠিন কামো অনায়াসে সাধিব পাৰে। আমাৰ চৰিত্ৰও ঘাইকৈ অভ্যাসৰ দ্বাৰায়ে গঠিত হয়। মানুহ অভ্যাসৰ দ্বাৰাই সাধু হয়, চোৰ হয়, নম্ৰ হয়, খঙ্গাল হয়। এতেকে ছাত্ৰবিলাকে সকৰে পৰা সজ বিষয়ৰ আলোচনা আৰু অভ্যাস কৰি সজ চৰিত্ৰ গঠন কৰা অতি কৰ্ত্তব্য। লোভ আৰু ক্ৰোধ দমন

কৰা সজ কাম; লোভ আৰু খঙৰ দ্বাৰাই মানুহ নষ্ট আৰু পশুৰ সমান অধম হব পাৰে। যি সকুৱে পৰা, লোভৰ বস্তু দেখিও বা ক্ৰোধৰ কাৰণ ওলোৱাতো, লোভ আৰু ক্ৰোধ দমিবলৈ অভ্যাস কৰে, তেওঁক কেতিয়াও সিহঁতে বেয়া কৰিব নোৱাৰে। প্ৰথমে লোভ দমন কৰোঁতে টান পোৱা যাব; কিন্তু পাছত অভ্যাসৰ দ্বাৰাই এনে হে হৈ উঠিব, যে হাজাৰ হাজাৰ লোভৰ বস্তু আগতে দেখিও সেইবোৰলৈ আমাৰ মন নেযাব। দয়া এটি বৰ সজ গুণ। দয়াৰ কাম দান। প্ৰথমে পৰক ধনবস্তু দান কৰোঁতে মনত অলপ কষ্ট লাগিব পাৰে; কিন্তু দয়া বা দান কৰোঁতে কৰোঁতে আমাৰ এনে অভ্যাস হৈ উঠে যে, তেনে কাম কৰাত আমাৰ মনত বৰ আনন্দ হে লাগে; পাছত পৰৰ উপকাৰৰ নিমিত্তে আমি নিজৰ জীৱন পৰ্য্যন্ত দান দিব পৰা হওঁ। সেই দৰে অভ্যাস কৰি কৰি বেয়া গুণ আৰু বেয়া কামবোৰ এৰিব লাগে। অভ্যাসৰ দ্বাৰায়ে আমাৰ চৰিত্ৰ ভাল বেয়া কৰিব পাৰি। ইয়াৰ দ্বাৰাই সাধুৰ লৰা-চোৰ হব পাৰে, চোৰৰ লৰা সাধু হব পাৰে।

ভাল দৃষ্টান্ত দেখি ভাল অভ্যাস হবৰ নিমিত্তে ভাল সঙ্গত থকা আৱশ্যক। যি সঙ্গত সদাই দুগু´ণ আৰু দুষ্কৰ্ম্ম দেখি থকা যায়, সেই সঙ্গত মানুহৰ ইচ্ছা আৰু স্বভাৱ বেয়া হয়। তোমাৰ সঙ্গী যেনে, তুমিও তেনে। বেয়া সঙ্গত থকা এটা দুর্ণাম। এতেকে অসৎসঙ্গ পৰিত্যাগ কৰিবা; আৰু সদাই সজৰ লগত থাকি সজ দৃষ্টান্ত আৰু সজ অভ্যাস শিকিবা।

লোভ, ক্রোধ, হিংসা, খিয়াল, গৰ্ব্ব, নিন্দা, গালি, মিছা, প্রবঞ্চনা, চঞ্চলতা, কপটতা প্রভৃতি বেয়া গুণ আৰু বেয়া আচৰণ পৰিত্যাগ কৰা কৰ্ত্তব্য। সেইবোৰে মানুহক পশুৰ তুল্য কৰে আৰু নানা অমঙ্গল ঘটায়। স্নেহ, প্রীতি, দয়া, বিনয়, সৰলতা, কৃতজ্ঞতা, পৰোপকাৰ, শিষ্টাচাৰ, ন্যায় ব্যৱহাৰ ইত্যাদি সজ গুণ আৰু সজ আচৰণ বৰ যতনেৰে অভ্যাস কৰিবা। এইবিলাক মানুহৰ জীৱনৰ অলঙ্কাৰ। সেইবিলাকৰ দ্বাৰাই মানুহ দেৱতাৰ তুল্য হয়।

যাৰ প্রতি যেনে আচৰণ কৰিব লাগে, তাত কেতিয়াও ত্রুটি নকৰিবা। তোমাৰ অধ্যাপকে

তোমাক পুত্ৰৰ সমান চেনেহ কৰে আৰু তোমাৰ ভালৰ নিমিত্তে বৰ পুৰুষাৰ্থ কৰি শিক্ষা দিয়ে। এই কাৰণে তুমি তেওঁৰ প্ৰতি নম্ৰ আৰু কৃতজ্ঞ হব লাগে। তেওঁক সকলো প্ৰকাৰে সন্তুষ্ট কৰিবলৈ যত্ন কৰা তোমাৰ কৰ্ত্তব্য কাম। সেই দৰে আন আন লোকৰ প্ৰতি তোমাৰ নম্ৰ আৰু সাদৰী ব্যৱহাৰ হব লাগে। তোমাৰ আচৰণত যেন কোনো অসন্তুষ্ট নহয়, সেই বিষয়লৈ তুমি মন দিবা। নম্ৰভাবে আৰু যুক্তিৰে কব জানিলে, দোষৰ কথা কোৱাতো মানুহ অসন্তুষ্ট নহয়। সকলোকে সাদৰী সম্ভাষণ কৰিবা। দম্ভ কৰা, ডাবি দিয়া, গালি পৰা, ইতিকিং কৰা ইত্যাদি মন্দলোকৰ আচৰণ। বিনয় পৰম ভূষণ। সি কৰিব নোৱৰা কামো একো নাই। বিনয়ীক সকলোৱে ভাল পায় আৰু ক্ষমা কৰে। এতেকে বিনয় আৰু ভদ্ৰতা অভ্যাস কৰঁা। দোষীৰ প্ৰতিও অভদ্ৰ আচৰণ নকৰিবা। তোমাৰ বেটী বন্দিকো কেটেৰা-জেঙ্গেৰাকৈ নেমাতিবা। এই সংসাৰত ভাল বেয়া দুয়ো বিধ মানুহ আছে। বেয়াৰ সংখ্যাই সৰহ। এতেকে বহুতে তোমাৰ ওচৰত

জগৰ লগাব আৰু তোমাৰ প্ৰতি মন্দ আচৰণ কৰিব। কিন্তু তুমি সেইবোৰ সহি থাকিবা। সহনৰ সমান গুণ নাই। তোমাৰ মনক মহৎ কৰা, সি যেন ক্ৰোধ-হিংসাদিৰ বশ হৈ নীচ আচ-ৰণ নকৰে। তোমাৰ মন হিমালয় পৰ্ব্বতৰ দৰে ওখ আৰু দৃঢ় হওক, তাক যেন সংসাৰৰ পাপৰ বোকাই ছুব নোৱাৰে আৰু লোভশোকাদিৰ বতাহে লৰাব নোৱাৰে।

মানুহ বিপদ আৰু দৰিদ্ৰতাত অধীৰ হব নেলাগে। সংসাৰত সকলোৰে সম্পদ, বিপদ, সুখ, দুখ আছেই আছে। সুখসম্পদত দম্ভ কৰা আৰু দুখদৰিদ্ৰতাত অধীৰ হোৱা, সামান্য লোকৰ কাম। কিন্তু মহৎ লোক হলে সকলো অৱস্থাতে একে দৰে থাকে। এতেকে তুমি সৰুৰে পৰা এনে অভ্যাস কৰঁা, যেন মহৎ লোকৰ দৰে সকলো অৱস্থাতে একে দৰে থাকিব পাৰা। মানুহ সৰুৰে পৰা গম্ভীৰ আৰু চিন্তাশীল হব লাগে। কথাত, কামত, আচৰণত সকলো বিষয়তে মানুহে বিবেচনা কৰি স্থিৰ ভাবে চলা উচিত। কেতি-য়াও চুলুঙ্গালি নকৰিবাঁ, কাকো ফাঁকি নিদিবাঁ

আৰু মিছা কথা নকবাঁ। প্ৰাণ গলেও অন্যায়, অধৰ্মৰ বা পাপ কামৰ ওচৰলৈ নেযাবাঁ। সদায় যেন সজ কথা, সজ কাম, সজ আচৰণ আৰু ধৰম পথত দিন যায়, তালৈ কেতিয়াও পুৰুষাৰ্থ, আত্ম-নিৰ্ভৰ আৰু স্বাধীন মত নেৰিবাঁ। এই দৰে ক্ৰমে ক্ৰমে যত্ন আৰু অভ্যাসৰ দ্বাৰাই নিজৰ বেয়া স্বভাৱ আৰু বেয়া ইচ্ছাক দমন কৰি, সজ চৰিত্ৰ আৰু সজ আচৰণ গঠন আৰু পালন কৰিবা। এইৰূপেই তুমি সাধু, মহৎ, জ্ঞানী আৰু সুখী হব পাৰিবা।

আমি ওপৰত তোমাক যি পথ দেখালোঁ, সি টান হলেও অতি উত্তম। সকলো মানুহ সেই পথে গৈয়েই ডাঙ্গৰ হয়। "কৰ্ত্তব্য কাম"— ইয়াতকৈ মানুহৰ ডাঙ্গৰ বস্তু একো নাই। কৰ্ত্তব্য কামৰ ওপৰত মানুহজাতি ৰৈ আছে। যেতিয়া সকলো মানুহে কৰ্ত্তব্য কাম কৰিবলৈ এৰিব— ৰজাই প্ৰজাপালন আৰু প্ৰজাশাসন এৰিব, প্ৰজাই ৰাজভক্তি এৰিব, সাধুৱে ধৰম এৰিব, খেতিয়কে খেতি আৰু বেপাৰীয়ে বেপাৰ এৰিব—যেতিয়া সকলো মানুহে যাৰে যি ইচ্ছা তাকে কৰিবলৈ

ধৰিব,—যেতিয়া ধৰম আৰু নীতিৰ শাসন গুচি স্বেচ্ছাচাৰৰ ৰাজত্ব হব—তেতিয়া নিশ্চয় মানুহ-জাতিৰ ধ্বংস হব,—মানুহে যুঁজ আৰু কটা-কটিকৈ মৰিব। সেই দৰে যি কোনো মানুহে নিজৰ কৰ্ত্তব্য কাম এৰে, সিও ক্ৰমে সকলো বিষয়ত তললৈ যাবলৈ ধৰে, আৰু অৱশেষত একেবাৰেই নষ্ট হয়। তাৰ কেতিয়াও কোনো বিষয়ত উন্নতি নহয়। কৰ্ত্তব্য কাম মানুহৰ আৰাধ্য দেৱতা আৰু দণ্ডধাৰী প্ৰভু। যিমান দিন এই দেৱতাক শুদ্ধভাৱে আৰাধনা কৰি থাকিবা, সিমান দিন তেওঁ তোমাক হাতে হাতে প্ৰসাদ দি থাকিব। কিন্তু যেতিয়াই এই প্ৰভুৰ শাসন লঙ্ঘন কৰিবলৈ লাগিবা, তেতিয়াই তেওঁ হাতৰ দণ্ডেৰে তোমাক কঠিন শাস্তি দিবলৈ আৰম্ভ কৰিব। এই দণ্ডৰ আঘাতত তুমি ধ্বংস হৈ যাবা। কৰ্ত্তব্য কাম ইমান গুৰুতৰ বস্তু।

এই কাৰণে এই বিষয়ে আমি ভালেমান কথা লিখিলোঁ। সেইবিলাক পঢ়ি তুমি আমোদ পাবৰ নিমিত্তে লিখা নাই; কিন্তু কায়মনো-বাক্যে পালন কৰি মানুহৰ সাধ্য সকলো উন্নতি

লাভ কৰিবা, এই আশাৰেহে লিখা হৈছে। যেনেকৈ ভাতৰ কথা পঢ়াত একো লাভ নাই, কিন্তু ভাত খালেহে ভোক গুচে; সেই দৰে কৰ্ত্তব্য কাম পালন কৰিলেহে তোমাৰ উন্নতি হব। এতেকে তুমি নিজে বৰ পুৰুষাৰ্থ কৰি যাৱজ্জীৱন এই কৰ্ত্তব্য কাম পালি থাকাঁ। আমি মুঠে তলত এটি উপায় দি বিদায় ললোঁ। সেই উপায় এই—

কিছুমান তুলাপাত গোটাই এটি ভালকৈ বহি বান্ধি লোৱাঁ। তাক "ডায়েৰি" (অৰ্থাৎ প্ৰতি-দিনৰ টোকা লিখা বহি) বোলা যাওক। এই ডায়েৰিত * তাৰিখে তাৰিখে তোমাৰ প্ৰত্যেক

---

* ডায়েৰিৰ আৰ্হি—"ডায়েৰি"—১৮১২ শক, ইং ১৮৯০।
শ্ৰীদয়াকৰ দাস,
গমিৰি পঢ়াশালী।

সোমবাৰ, ১ পুহ, ১৫ ডিচেম্বৰ।

পুৱা ৬ বজাত উঠোঁ; মুখ ধুই ৰচন' লিখোঁ—'ডাঙ্গৰ মানুহ কেনেকৈ হব পাৰি?' ৭—১০ পঢ়া আওৰাওঁ, অঙ্ক, আখৰ; ১০ গা ধুই ভাত খাওঁ। পঢ়ি থাকোঁতে আইয়ে ধাননিৰ গৰু খেদাবলৈ পাচিলে—নগলোঁ—আইয়ে খঙ্গ কৰে, ময়ো খঙ্গ কৰোঁ।

১১ পঢ়াশালীলৈ যাওঁ। পঢ়া ভাল হয়। ছাত্ৰ সভাত 'ডাঙ্গৰ মানুহ কেনেকৈ হব পাৰি?' পঢ়োঁ—সকলোৱে শলাগে—পণ্ডিতৰ সুন্দৰ বক্তৃতা। ৪ ঘৰলৈ আহোঁ।—জলপান খাই

দিনৰ লাগতীয়াল বিবৰণ লিখিবলৈ ধৰাঁ। কোন্ দিনা কোন্ সময়ত তুমি কি কৰিলা, কি পঢ়িলা, তোমাৰ মন কেনে আছিল, গা কেনে আছিল, আচৰণ কেনে আছিল, কোন্ লোকৰ লগত কি ব্যৱহাৰ কৰিলা, কি কাম কৰিবলৈ কি আলচ পাতিলা বা সঙ্কল্প কৰিলা, দেশৰ বা সমাজৰ কি হিত বা অহিত কাম কৰিলা, দিনটো বা তাৰ কোন সময়ত হেলাৰে নে উৎসাহেৰে কাম কৰিলা, কোন্ ডাঙ্গৰ লোক দেখিলা, তোমাৰ মনত কিয় কি ভাব হল, কোন্ বিষয়ত কিমান উন্নতি কৰিলা, ইত্যাদি তোমাৰ সকলো ভাল

---

ধান দাবলৈ যাওঁ। ৬—৭ জিৰণি আৰু কথা পতা। ৭—৮ পাছিৰ কাঠি তুলাওঁ। ৯—১০ জোনাকী আৰু শকুন্তলা পঢ়োঁ। ১০ আইটীয়ে ভৰি ধুৱাই দিয়ে—ভাত খাই শোওঁ।

মুঠ—পঢ়া আদি ভাল; সময়ৰ সদ্ব্যৱহাৰ; খঙ্গ, মাতৃবাক্য লঙ্ঘন—আগলৈ এনে নকৰোঁ।

মঙ্গল, ২ পুহ, ১৬ ডিচেম্বৰ।

৬ উঠোঁ; ৬—৮ মৰণাৰ গৰু ফুৰাওঁতে পঢ়া আওৰাওঁ। ৯ আইয়ে পচাত ভাত ৰান্ধিবলৈ যাওঁ। ১০ আইক মাচুল খোজোঁ—ধন দিব নোৱাৰি কান্দে। উঃ, আমাৰ এনে হে দুৰৱস্থা ইত্যাদি। প্ৰত্যেক ছাত্ৰৰ হতুৱাই এই দৰে ডায়েৰি লিখোৱা অধ্যাপক সকলৰ কৰ্ত্তব্য কাম। আমি আশা কৰিছোঁ, তেওঁলোকে ইয়ালৈ হেলা নকৰিব।

বেয়া লাগতীয়াল কথাবোৰ চুম্বককৈ লিখিবা, আৰু শেহত, সেই দিনটো মুঠৰ ওপৰত কেনে গল, তাৰ টোকা লিখিবা।

এই ডায়েৰি লিখাত বৰ সাৰধান হবা, তাত যেন এক ধনিষ্ঠামানো ভুল বা মিছা কথা লিখা নহয় আৰু ভাল-বেয়া তুইকো যেন লিখা হয়। সদায় এইটো চেষ্টা ৰাখিবা, যেন তোমাৰ প্ৰত্যেক দিন তাৰ আগৰ দিনতকৈ ভালে যায়, আৰু আগৰ এদিনৰ ভুল বা দোষ, তাৰ পাছৰ এদিনত আকৌ নঘটে। ডায়েৰি পৰক দেখাবৰ নিমিত্তে নহয়, কেৱল আত্মদমন আৰু আত্ম-সংশোধনৰ নিমিত্তে। ই তোমাৰ জীৱনৰ ছবি বা দৰ্পণৰ নিচিনা হব লাগে। প্ৰত্যেক বছৰত এটা এটা নতুন বহি লব লাগে। তাৰ এটা পাতত এদিনৰ কথা থকা ভাল। এই ডায়েৰি বহিবোৰ দেখিলেই যেন ঠিক জানিব পৰা যায় যে, তোমাৰ জীৱন কোন্ সময়ত কেনেকুৱা আছিল।

নিজৰ গুণ দেখা আৰু দোষ নেদেখা, মানুহৰ স্বভাৱ। এই কাৰণে মানুহে প্ৰায়েই নিজে

নিজক ভালকৈ জানিব নোৱাৰে। ইয়ে মানুহ বেয়া হোৱাৰ আৰু বেগতে ভাল হব নোৱৰাৰ গুৰি। কিন্তু ঠিকৰূপে ডায়েৰি লিখিলে, তুমি নিজক হাতত থকা আমলখীৰ দৰে দেখিবলৈ পাবা। তেতিয়া অনায়াসে নিজক দমিব আৰু শুধৰাব পাৰিবা। ইয়াৰ দ্বাৰাই তোমাৰ চৰিত্ৰ আৰু আচৰণ ভাল হব পাৰিব, বিদ্যাবুদ্ধি বাঢ়িব পাৰিব, সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰিবা, জীৱনত সুখ-সন্তোষ হব আৰু তুমি এই আত্ম-জীৱনচৰিত পাঠ কৰি অপাৰ আনন্দ ভোগ কৰিবা। ডায়েৰি কেৱল ছাতৰ থাকোঁতে লিখিব লাগে, এনে নহয়; সদায় লিখিব লাগে। তাক লিখোঁতে অলপ সময় আৰু শ্ৰম লাগে হয়; কিন্তু তদ্দ্বাৰাই ইমান উপকাৰ হয় যে, সেই সময় আৰু শ্ৰম একো ধৰ্ত্তব্য নহয়।

---

# জন্মভূমি।

"জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী।" *

যি দেশত যি মানুহ ওপজে, সেই দেশক সেই মানুহৰ জন্মভূমি বোলে। জন্মভূমি ভাল পোৱা মানুহৰ স্বভাৱ। এই স্বভাৱ বৰ প্ৰশংসনীয়। যি দেশত মই উপজিছোঁ আৰু সৰু কালৰে পৰা থাকি ডাঙ্গৰ-দীঘল হৈছোঁ, যি দেশৰ সুখ-দুখেই মোৰ সুখ-দুখ, সেই দেশ মই মনেৰে সৈতে ভাল পোৱা আৰু তাৰ উন্নতি কৰিবলৈ যত্ন কৰা মোৰ কৰ্ত্তব্য কাম। যেনেকৈ মই মোৰ নিজৰ উন্নতিলৈ, মোৰ লৰা-তিৰুতাৰ উন্নতিলৈ চেষ্টা কৰিব লাগে, সেই দৰে মোৰ গোটেইখন দেশৰ, অৰ্থাৎ মোৰ দেশত থকা সকলো মানুহৰ, সাধাৰণ উন্নতিলৈও চেষ্টা কৰিব লাগে। যেনেকৈ মোৰ নিজৰ বা নিজৰ পৰিয়ালৰ ভালৰ নিমিত্তে মোৰ বৰ আন্তৰিক ইচ্ছা আছে, সেই দৰে মোৰ জন্ম-ভূমিৰ ভালৰ নিমিত্তেও বৰ আন্তৰিক ইচ্ছা হব লাগে। দেশৰ প্ৰতি এনে ইচ্ছাৰ নাম দেশ-হিতৈষিতা।

---

* মাতৃ আৰু ওপজা-দেশ, স্বৰগতকৈও ডাঙ্গৰ।

দেশহিতৈষিতা মানুহৰ এটা বৰ ডাঙ্গৰ ভাব। ই মানুহক দেৱতা আৰু অমৰ কৰে। যি দেশৰ উপকাৰ কৰে, তেওঁ তাৰ অলেখ নৰনাৰীৰ উপকাৰ কৰে। এই উপকাৰ কৰোঁতে কেতিয়াবা নিজৰ অপকাৰ কৰিব লগাত পৰে; কেতিয়াবা কেতিয়াবা নিজৰ দেহকো জন্মভূমিৰ নিমিত্তে বলি দিব লগা হয়। এই কাৰণে দেশহিতৈষীৰ মহৎ যশস্যা হয়; লোকে তেওঁক মনেৰে সৈতে ভক্তি আৰু প্ৰীতি কৰে; আৰু তেওঁৰ নাম জগতত চন্দ্ৰদিবাকৰ থাকে মানে প্ৰখ্যাত হৈ থাকিবও পাৰে। দেশহিতৈষী বৰ মহৎ আৰু স্বাৰ্থত্যাগী। জন্মভূমিৰ নিমিত্তে তেওঁ কৰিব নোৱাৰে এনে কাম একো নাই। তিৰুতাই নিজৰ মূৰৰ চুলি আৰু অলঙ্কাৰ বৰ ভাল পায়। যেতিয়া ৰোমানবিলাকে কাৰ্থেজ নগৰ আক্ৰমণ কৰে, তেতিয়া যুঁজত ধনুৰ গুণ নোহোৱা হোৱাত কাৰ্থেজৰ তিৰুতাসকলে নিজৰ মূৰৰ চুলি কাটি ধনুৰ ডোল খুৱাবলৈ দিছিল। আৰু ইংৰাজি ১০০৮ শকত চুলতান মামুদৰ লগত হিন্দুবিলাকৰ ৰণ লাগোঁতে হিন্দু তিৰুতাসকলে নিজৰ অলঙ্কাৰ

বেচি ৰণৰ খৰচ যোগাইছিল! আকৌ জন্মভূমিৰ নিমিত্তে নিজৰ প্ৰাণ বলি দিয়াৰ দৃষ্টান্ত চোৱাঁ।

গ্ৰীচ্ বুলি এখানি সৰু দেশ আছে। আৰু পাৰস্য নামে এখান বৰ ডাঙ্গৰ দেশৰ অধিপতিয়ে গ্ৰীচ্ আৰু তাৰ লগৰীয়া সৰু ৰাজ্য খনচেৰেক লবৰ মনেৰে বহুত সৈন্য-সামন্ত গোটাই ৰণৰ সাজেৰে যায়। পাৰস্য-সেনাৰ সংখ্যা দুই নিযুত। অনেক স্বদেশদ্ৰোহী গ্ৰীকেও * ধন বা পদৰ লোভত নিজ দেশ এৰি পাৰস্য-ৰজাৰ পক্ষ লৈ তেওঁক আগগুৰি দেখাই সহায় কৰিবলৈ ধৰে। পাৰস্যৰ সেনাবৃন্দে কাকতি-ফৰিঙ্গৰ দৰে দেশ ঢাকি আহি গ্ৰীচৰ দুৱাৰ মুখত ঘোৰ ৰণ-মূৰ্ত্তিৰে ঠিয় হলহি; দেখি গ্ৰীকহঁতে মহাত্ৰাসত কঁপিবলৈ ধৰিলে! লিয়নিদাচ বুলি এজনা গ্ৰীক্ সেনাপতিয়ে জন্ম-ভূমিৰ নিমিত্তে নিজৰ প্ৰাণ দিবলৈ ওলাল। তেওঁ নিজ নগৰ স্পাৰ্টাৰ বাচি বাচি তিনি শ সেনা ললে। এই সকলেও জন্মভূমি ৰক্ষাৰ নিমিত্তে আনন্দেৰে মৰিবলৈ ওলাল; লৰা-তিৰু-তাৰ ওচৰত এই জন্মলৈ বিদায় ললে; আৰু

* গ্ৰীচ-দেশৰ মানুহক 'গ্ৰীক' বোলে।

নিজৰ দহা-কাজ পৰ্য্যন্তও হেনো তেতিয়াই কৰি ললে। লগৰীয়া ৰাজ্যবিলাকৰো প্ৰায় চাৰি হাজাৰ সেনাই লিয়নিদাচৰ তলত যুঁজিবলৈ ওলায়। পাৰস্য-সৈন্য থাৰ্ম্মপিলি বুলি এটা পৰ্ব্বতীয়া বাট পাৰ নহলে গ্ৰীচৰ ভিতৰলৈ সোমাব নোৱাৰে। লিয়নিদাচ আহি এই বাটৰ মুখত ঠিয় হলহি। এই থাৰ্ম্মপিলি-পথত গ্ৰীকসৈন্যৰে আৰু পাৰস্য-সৈন্যৰে ভয়ঙ্কৰ ৰণ লাগিল। গ্ৰীকহঁতে ৰুদ্ৰ-মূৰ্ত্তি ধৰি অতুল বিক্ৰমেৰে শত্ৰু বধিবলৈ ধৰিলে! দুই দিন যুদ্ধ কৰি দুই নিযুত পাৰস্য-সেনাই এই কেইটা গ্ৰীকৰ ওচৰত হাৰি জাকে জাকে পলাবলৈ ধৰিলে! তাতে পাৰস্যাধিপতি বিমোৰ আৰু হতাশ হল! এনেতে এটা স্বদেশদ্ৰোহী বিশ্বাসঘাতক গ্ৰীকে ধনৰ লোভত তেওঁক এনে এটা বাটৰ সন্ধান কৈ দিলে যে, সেই বাটে দি গৈ গ্ৰীকহঁতক পাছ ফালৰ পৰা আগছি ধৰিব পাৰি। এজন পাৰস্য সেনাপতিয়ে এদল সৈন্য লৈ ৰাতি মনে মনে সেই বাটে দি আগ বাঢ়ি গল। পুৱা গ্ৰীকহঁতে দেখি মৃত্যু ওচৰ চাপিল বুলি ভাবিলে। লিয়নিদাচৰ পৰামৰ্শমতে লগ-

ৰীয়া সেনাবিলাক হুঁহকি গল ; মুঠে এঘাৰ শ মান সেনা তেওঁৰ লগত থাকিল ! সকলোৰেই হুঁহকি গৈ প্ৰাণ ৰক্ষা কৰিব পাৰিলেহেঁতেন ; কিন্তু জন্মভূমিৰ আগত তেওঁলোকৰ মানত প্ৰাণ কোন্ বস্তু ? এই কাৰণে সকলোৰেই শত্ৰুৰ বল ক্ষয় কৰি মৰিবলৈ আগ বাঢ়িল। লিয়নিদাচৰ তিনি শ সেনাৰ ভিতৰত দুজন তেওঁৰ বংশৰ মানুহ আছিল। তেওঁ তেওঁলোকক চিঠি আৰু বাতৰি দি ঘৰলৈ পঠোৱাৰ ছলেৰে তেওঁ-লোকৰ প্ৰাণ ৰাখিবলৈ চেষ্টা কৰিলে। কিন্তু তেওঁ সেই প্ৰস্তাৱ কৰাত এজনে উত্তৰ দিলে বোলে, “মই যুঁজ কৰিবলৈ আহিছোঁ, চিঠি কঢ়িয়া-বলৈ অহা নাই !” আন জনে বুলিলে, “আমাৰ কামেই আমাৰ বতৰা কব।” এই তিনি শ সেনাৰ ভিতৰত দুজন মানুহৰ চকুত ৰোগ হোৱাত দুয়ো এখান ওচৰৰ গাঁৱত আছিল গৈ। এই সময়ত এজনে যুদ্ধৰ সাজ পিন্ধি তেওঁৰ লগুৱাৰ হাতত ধৰি কণা-মুণাকৈ আন সেনাৰ লগত যুঁজি-বলৈ আহিল। ৰোগ বৰ টান হোৱাত, আন জনক মানুহে ধৰি ৰণলৈ যোৱাৰ পৰা কোনো-

মতে ওভোটাই নিলে। তেতিয়া লিয়নিদাচে সকলোকে এই জীৱনত শেষ ভোজন কৰি লবলৈ আদেশ দিলে। ভোজনৰ পাছত চৈধ্য শ গ্রীক্ সেনাই প্রায় দুই নিযুত পাৰস্য সেনাৰে যুঁজ কৰিবলৈ অসম সাহেৰে হুঙ্কাৰ কৰি খেদি গল। দুয়ো পক্ষৰ ঘোৰতৰ যুঁজ লাগিল। গ্রীক বীৰৰ হাতত হাজাৰে হাজাৰে পাৰস্য-সেনাই কটা-কচুৰ দৰে খণ্ড খণ্ড হৈ পৰিবলৈ ধৰিলে। কিন্তু এই অলপীয়া সেনাই প্রায় দুই নিযুত মানুহ মাৰি কেনেকৈ অন্ত পেলাব? তেওঁ-লোকৰ অস্ত্রশস্ত্র ভাগি গল! তেতিয়া পাৰস্য সৈন্য তেওঁলোকক চাৰিও পিনে বেৰি ধৰিলে! তেতিয়া লগৰীয়া সেনাবোৰৰ কোনো পলাল, কোনোৱে শত্রুত প্রাণদান মাগিলে। কিন্তু লিয়নিদাচে আৰু তেওঁৰ নিজৰ সেনাই ভগা অস্ত্রশস্ত্রেৰে, হাতেৰে আৰু দাঁতেৰে যুঁজি যুঁজি অলেখ শত্রু বধ কৰি প্রাণ এৰিলে। গধুলি সময়লৈ তেওঁলোকৰ এজনো জীৱিত নবল। মৰা-শৰে পৰ্ব্বতৰ সমান দ'ল হল! এই থাৰ্ম্মপিলিৰ যুদ্ধ হোৱা আজি ২৩২০ বছৰ হল; থাৰ্ম্ম-

পিলিৰ এতিয়া চিনো নাই; কিন্তু লিয়নিদাচ আৰু তেওঁৰ জগৎবিখ্যাত সেনাৰ কীৰ্ত্তি আৰু দৃষ্টান্ত যাৱৎ-চন্দ্ৰ-দিবাকৰ এই জগতত স্থায়ী হৈ থাকিল! ধন্য লিয়নিদাচ! ধন্য তোমাৰ সেনা! তোমালোক অমৰ! তোমালোকৰ জীৱন সাৰ্থক!

দেশহিতৈষিতা স্বাধীনতা ৰক্ষাৰ ঘাই উপায়; আৰু এইয়ে সকলো জাতিৰ শক্তি। ওপৰত কোৱা গ্ৰীক-জাতিৰ কিছুমানে নিজ দেশৰ দ্ৰোহ আচৰি শত্ৰুৰ সাহায্য কৰে; তাতেই শত্ৰুৱে গ্ৰীচত নানা উপদ্ৰৱ কৰিবলৈ ছল পায়। এনে দেশদ্ৰোহী আৰু বিশ্বাসঘাতক মানুহ প্ৰায় সকলো জাতিতে আছে। ইহঁত অতি অধম লোক। সিহঁতে কেৱল নিজৰ সামান্য সুখ আৰু স্বাৰ্থহে জানে। এনে দেশদ্ৰোহী আৰু স্বাৰ্থপৰ মানুহৰ নিমিত্তেই অসমলৈ মান আহিবলৈ পালে; আৰু সেয়ে আমাৰ দেশ-নাশ আৰু ৰাজ-ভগনৰ মূল কাৰণ হল। কিন্তু এনে দেশদ্ৰোহী মানুহে নিজে পাপৰ শাস্তি নেপাই নেথাকে। সিহঁত স্বদেশী আৰু বিদেশী দুইৰো ওচৰত ঘৃণিত আৰু অবিশ্বাসী হয়; আৰু অৱশেষত সিহঁতৰ একেবাৰেই

সর্ব্বনাশ ঘটে; সি যি হওক, এনে লোকৰ সংখ্যা বেছি নহয়, নিজ দেশ ভাল পোৱা মানু- হেই সৰহ। এই কাৰণে দেশহিতৈষী গ্রীক- সকলে লিয়নিদাচৰ মৃত্যুৰ পাছত তেওঁৰ আৰু তেওঁৰ তিনি শ সেনাৰ দৃষ্টান্ত লৈ প্রাণপণে যুঁজ কৰিবলৈ ধৰিলে, আৰু কিছু দিনৰ পাছত মহাপ্রতাপী পাৰস্যাধিপতিক পৰাজিত কৰি গ্রীচৰ পৰা বাহিৰ কৰি দিলে। দেশহিতৈষি- তাৰ এনেহে বল। ইয়াৰ নিমিত্তে লোকে পুত্র- ভাৰ্য্যাৰ মমতা এৰি অকালত মৰিবলৈ ওলায়; আৰু পুত্ৰ-ভাৰ্য্যায়ো জীৱনৰ অৱলম্বন পিতৃ আৰু স্বামীক জলা-জুইত পৰি মৰিবলৈ পঠাই দিয়ে।

যেতিয়া আমেৰিকা দেশৰ সম্মিলিত-ৰাজ্যৰ লগত ইংৰাজবিলাকৰ মহা ৰণ হয়, তেতিয়া তাৰ দুজন ভায়েক-ককায়েক, ভনীয়েকক ঘৰত ৰাখি যুঁজিবলৈ যায়। ৰণত এজন পৰাত আন জনে বেজাৰ কৰি ঘৰলৈ আহে আৰু মৃতকৰ বস্তুবিলাক গত লগাই থবলৈ ধৰেহি। ইয়াকে দেখি ভনীয়েকে খঙ্গ কৰি কলে, "ককাই,

তুমি বস্তু গত লগাব নেলাগে, বণলৈ যোৰাঁ, বস্তু মই গত লগাম।” চোৰাঁ! এজন ককায়েক মৰাত এই ছোৱালীজনীয়ে বেজাৰ কৰা থাকোক আকৌ আনজনকো জন্মভূমিৰ উদ্ধাৰৰ নিমিত্তে মৃত্যুৰ মুখলৈ আগ বঢ়াইহে দিলে। জন্মভূমি এনেহে বস্তু।

জন্মভূমিৰ হিত চিন্তা এটা মহাধৰ্ম্ম। আমাৰ শাস্ত্রে কয় যে, যি যুঁজত মৰে, তেওঁ স্বৰগলৈ যায়। যি দেশ ৰক্ষা কৰে, স্বদেশৰ অসংখ্য নৰনাৰীক মৃত্যু আৰু উপদ্রৱৰ পৰা ৰক্ষা কৰিবৰ নিমিত্তে নিজৰ জীৱন বলি দিয়ে, অৱশ্যে তেওঁ মহা ধৰ্ম্মৰ কাম কৰে। তেওঁৰ জীৱনেই সাৰ্থক জীৱন।

কেৱল যুঁজ কৰিয়েই দেশৰ উপকাৰ কৰিব পাৰি, এনে নহয়; আন অনেক প্ৰকাৰে দেশৰ উপকাৰ কৰা যায়। মানুহৰ এনে অনেক সাধা-ৰণ কাম আছে, সেইবিলাক কাম দুজনে এজনে কৰিব নোৱাৰি, নাইবা অলপীয়া মানুহৰ দ্বাৰাই সেই কাম ভাল হৈ নুঠে; কিন্তু বহুৎ মানুহ গোট খালেহে ভালকৈ কৰিব পৰা যায়। বেপাৰ

কৰা, বাতৰি কাকত চলোৱা, মাতৃভাষাৰ উন্নতি কৰা, দেশৰ ডাঙ্গৰ অভাৱ গুচুৱা ইত্যাদি কামত ভালেমান মানুহৰ সাহায্য লাগে। পৰস্পৰৰ সহায়তাৰ দ্বাৰাই দেশৰ ধন বাঢ়ে আৰু উন্নতি হয়। আমি অকলৈ অকলৈ অতি সামান্য। আমি অকলৈ কোনো ডাঙ্গৰ কামকে সাধিব নোৱাৰোঁ; বহুৎ মানুহ গোট খালে, তেওঁলোকে হেলা বঙ্গে কঠিন কামো সাধিব পাৰে। দেশৰ উন্নতি কৰাৰ এটা ঘাই উপকৰণ হৈছে, সকলো মানুহৰ ভিতৰত মিল বা একতা। একতাৰ অসাধ্য একো নাই। এটা পোৱাল পোক বস্তুৱেই নহয়। কিন্তু কোটি কোটি অৰ্ব্বুদ অৰ্ব্বুদ পোৱাল পোকে গোট খাই একোটা বৰ পোৱাল-দ্বীপ বা পোৱাল-পৰ্ব্বত নিৰ্ম্মাণ কৰে। মানুহৰ পক্ষেও একে কথা।

আমি অসমীয়া মানুহ। অসমদেশ আমাৰ জন্মভূমি। এই কাৰণে আমি এই দেশক নিজৰ মাতৃ আৰু স্বৰ্গতকৈও বেছি ভালপোৱা উচিত। যেনেকৈ মোৰ আইৰ সুখ-দুখ, আইৰ মান অপমানেই মোৰ মান-অপমান; সেই দৰে এই দেশৰ

সুখ-দুখেই আমাৰ নিজৰ সুখ-দুখ যেন লাগিব লাগে, এই দেশৰ মান অপমানকে আমাৰ নিজৰ মান অপমান বুলি বোধ কৰা যুগুত। আমাৰ নিজৰ লৰাতিৰোতাতকৈও আমি নিজ জাতিক বেছি ভাল পাব পাওঁ। প্ৰত্যেক অসমীয়াই জন্ম-ভূমিৰ সেৱা কৰিবলৈ শিকা কৰ্ত্তব্য। যেতিয়াই আমাৰ মতন দেশানুৰাগ সোমাব, দেশৰ দুৰ্দ্দশা আমাৰ চকুত পৰি দেশৰ দুখত আমাৰ চকুৰ পানী ওলাব, দেশৰ মানুহক আমি আপোন ভাই-ককাই বুলি জ্ঞান কৰিব পাৰিম—তেতিয়াই এই দেশৰ উন্নতি হব।

আজিকালি অসম দেশৰ সকলো বিষয়তে বৰ দুৰৱস্থা। খেতি, বেপাৰ, বিষয়—সকলোৱে সাৰ বা সৰহ ভাগ বিদেশীৰ ভোগ হৈছে। মাতৃ-ভাষাৰ ঘোৰ দুৰ্দ্দশা। অসমৰ ধন বস্তুৰে অসংখ্য বিদেশী মানুহ ধনী আৰু সুখী হৈছে; কিন্তু অসংখ্য অসমীয়াৰ ভাত-কাপোৰৰ হাঁকাল বিকাল। আমাৰ মানুহৰ ভিতৰত একতা আৰু দেশানুৰাগ নাই। সকলোৱে মিলি দেশৰ উপকাৰ কৰিব লাগে, নাইবা কোনোৱে এই দেশৰ মানুহৰ

প্রতি কিবা বেয়া আচৰণ কৰিলে তাক নিবাকৰণ কৰা উচিত। আমাৰ মানুহৰ এতিয়াও এনে ডাঙৰ ভাব হোৱা নাই। আমাৰ মানত আমাৰ লৰাতিৰোতায়ে সকলো। কেতিয়াবা অসমীয়া মানুহেই নিজে নিজে হিংসা খিয়াল বা বিশ্বাসঘাতকতা কৰি নিজ দেশৰ দ্রোহ আচৰে। জন্মভূমি যে এটা কি বস্তু, সি যে স্বৰ্গতকৈও ডাঙৰ এই কথা আমি সমূলি অনুভৱ কৰিব পৰা নাই। মই কেৱল মোৰ নিজৰ উন্নতিকেহে জানো। কিন্তু দেশৰ উন্নতি নহলে যে মোৰ এজনৰ উন্নতি কেতিয়াও ভালকৈ হব নোৱাৰে, এই কথাৰ আমি বুজ নলওঁ। এই কাৰণে অসমীয়া জাতি উন্নতি-জখলাৰ তলৰ খাপত পৰি আছে। অসমীয়া মানুহে প্রায় সকলো বিষয়তে পৰৰ মুখলৈ চোৱা। কোনো অসমীয়াৰ উন্নতি হোৱা দেখিলে আমাৰ চকু পোৰে; কিন্তু বিপদ হলে আমাৰ আনন্দ লাগে। জন্মভূমিৰ ঘোৰ দুৰৱস্থা, অসমীয়াৰ ঘোৰ টোপনি। ইয়াতকৈ ধিক্কাৰৰ কথা একো নাই।

এতেকে আহাঁ, দেশৰ নিমিত্তে নিজক পাহৰোঁ,

দেশৰ নিমিত্তে কান্দিবলৈ শিকোঁ ; দেশৰ নিমিত্তে নিজৰ অৰ্থ, শক্তি, সময়, বিদ্যা, বুদ্ধি সকলোকে উৎসৰ্গ কৰোঁহঁক।—জন্মভূমিৰ গৌৰৱ হওক, অসমীয়া জাতিয়ে উন্নতি-জখলাত আগ বাঢ়োক, আমাৰ সামান্য জীৱনো সাৰ্থক হওক !

অন্ত।